পৰিকল্পনাৰ প্ৰথম দশকত অসমত একো কৰা নহল। তৃতীয় পৰিকল্পনাত সৰ্ব্বমুঠ তিনি দশমিক পয়সত্তৰ কোটি টকা ধাৰ্য্য কৰা হৈছিল, তাৰে সাত দশমিক নবৈ কোটি টকা খৰচ কৰা হল। প্ৰকৃত পক্ষে চতুৰ্থ পৰিকল্পাৰ পৰাহে অসমত উদ্যোগৰ যো-জা আৰম্ভ কৰা হৈছে। এই ছোৱা সময়ত আমাৰ পৰিকল্পনাৰ ক্ষেত্ৰত উদ্যোগিক নীতিত স্থিৰ ভাৱে কি কৰা হৈছে তাৰ কাৰণে আমি যোৱা কুৰি বছৰৰ পৰিকল্পনাৰ পৰ্য্যালোচনা কৰা দৰকাৰ হব। যোৱা কুৰি বছৰে আমি মূল ধনৰ অভাৱ, উদ্যোগপতিৰ অভাৱৰ হেতু বাহিৰা উদ্যোগপতিক অসমত উদ্যোগ নিৰ্ম্মাণ, স্থাপন আৰু পৰিচালনা কৰিবলৈ দিয়া হৈছিল। অকল সেয়ে নহয় তেওঁলোকক

বিনামূলীয়া মাটিও দিয়া হৈছিল, কৰ-কাটল ৰেহাই দিয়া হৈছিল, কম দামত কেচামাল যোগান ধৰা হৈছিল কিন্তু তাৰ বিনিময়ত অসমে কি পালে? সেইটো ভাবি চাবলগীয়া কথা। সেয়েহে দেবকান্ত বৰুৱাই কোৱা কথাষাৰলৈ মনত পৰে 'বুলো লাও-বগালে পুৰৈ-লাগিল কোৱাভাতুৰী'। যি অৱস্থাৰ পৰিপ্ৰেক্ষিতত উদ্যোগপতিসকলক উদ্যোগ স্থাপন কৰিবলৈ দিয়া হল সেই অৱস্থালৈ আওকাণ কৰি উদ্যোগপতিসকলে ছলে-ছক্ৰান্তৰে অসমৰ পৰা টকা পইচা লুণ্ঠন কৰি অসমৰ বাহিৰলৈ নিবলৈ ধৰিলে। এই উদ্যোগ স্থাপনৰ উদ্দেশ্যৰ তিনিওটা দিশলৈ চালে দেখা যাব প্ৰথমতে এই উদ্যোগবিলাকে অসমৰ স্থানীয় মানুহৰ জনমূৰী আয় বৃদ্ধি কৰিব পৰা নাই। দ্বিতীয়তে এই উদ্যোগ সমূহত স্থানীয় মানুহে নিয়োগ নোপোৱাৰ কাৰণে দা-দৰমহা আদিৰ ফালৰ পৰাও এই উদ্যোগে আমাৰ অসমৰ অৰ্থনৈতিক দিশত কোনা বৰঙণি যোগোৱা নাই। তৃতীয়তে এই উদ্যোগ বিলাকে লাভৰ কোনো অংশ উদ্যোগৰ সম্প্ৰসাৰণৰ কাৰণে ব্যৱহাৰ নকৰি বাহিৰলৈ পঠিয়াবলৈ ধৰিলে, তাৰ পৰা আমাৰ কোনো লাভ হোৱা নাই। এই তিনিটা মাপ-কাঠিৰে চালে আমাৰ অৰ্থনৈতিক বিকাশত কোনো সহায় কৰা নাই। এইবোৰ উদ্যোগ হ'ল হাৰ্ড বোৰ্ড, এচোচিয়েটেড ইণ্ডাষ্ট্ৰি, অসম ব্ৰিকচ আৰু ফিৰোজ এণ্ড কোম্পানী। এই কেইটাৰ ভিতৰত মই ফিৰোজ এণ্ড কোম্পানীৰ বিষয়ে অলপ কব খুঁজছো। এই কোম্পানীৰ লগত অসম চৰকাৰৰ কন্‌ডাক্টৰ এণ্ড টিউবচ্‌ বিভাগে ১৯৫০-৫১ চনত ফিৰোজ এণ্ড কোম্পানীৰ আশী জনক ইমপোৰ্ট লাইচেন্স দিয়া হয় আৰু সেই বিলাকৰ বহুত নিষিদ্ধ মূল্যত নিষিদ্ধ বজাৰত কলিকতাৰ বজাৰত বিক্ৰি কৰি প্ৰায় ৩৫ হাজাৰ টকা পায়। ১৯৬৬ চনত ভাৰত চৰকাৰে ওৱেৰ ট্ৰেন্সমিচনৰ কাৰণে কপাৰৰ ব্যৱহাৰ নিষিদ্ধ কৰি দিয়ে। তেতিয়া এই কোম্পানীক সহায় কৰিবলৈ অসম কণ্ডাক্টৰে এলুমিনিয়ামৰ লাইচেন্স দিছিল এই এচ আই-ডি-চিৰ মেনেজিং ডিৰেক্টৰক, বৰ্ত্তমান তেওঁ উদ্যোগ বিভাগৰ সঞ্চালক। আকৌ কোম্পানীক অৰ্থ সাহাৰ্য্য দিবলৈ গৈ গিৰিয়েকক জামিন হিচ'বে ৰাখি ঘৈণীয়েকক আশী লা টকা দিছে। সেই বছৰেই চেপ্তেম্বৰ মাহত এই উদ্যোগ অসম চৰকাৰে নিজৰ হাতলৈ আনে। সেই উদ্যোগে দিয়া হিচাব, লাভ-লোকচানৰ হিচাব আদি আমাৰ এচ-আই-ডি-চিয়ে মানি লৈছিল। কিন্তু এচ-আই-ডি-চিৰ পৰা এই কোম্পানীয়ে যন্ত্ৰ পাতি বিলাক কিনাৰ কাৰণে টকা ধাৰে লৈছিল। বেলেন্স চিটত এইবোৰে লোৱা টকাৰ হিচাব দেখুৱা হোৱা নাই। ফলত দুই লাখ তেত্ৰিশ হাজাৰ টকা অসম চৰকাৰে এনেয়ে ভৰিব লগা হল; নাপাব লগা টকা ফিৰোজ কোম্পানীয়ে পালে। চৰকাৰৰ হাতলৈ

এই উদ্যোগ অহাৰ পিচত লোকচান খালে আৰু ই বন্ধ হৈ গল। বৈদ্যুতিকৰণৰ যুগত পাচখন লাইচেন্স লাভ কৰা ভাৰতৰ ভিতৰতে অন্যতম এই কোম্পানীটো বন্ধ হৈ গল। আনহাতে আকৌ উদ্যোগ বন্ধ হৈ যোৱা কাৰণে ৩৭টা মেচিন বিক্রি কৰিবলৈ বিজ্ঞাপনো দিয়া হৈছে। যদি মেচিন বেচিব লাগে তেনেহলে চৰকাৰে কিয় নিজৰ হাতলৈ আনিলে। এই ক্ষেত্ৰত আমাৰ উদ্যোগ বিভাগৰ সঞ্চালকৰ হাত আছে নেকি মূখ্যমন্ত্রীয়ে জনাব বুলি আশা কৰিলো।

তাৰ পিচত মই যোগীঘোপা কাগজৰ কলৰ কথালৈ আহো। সেই বিষয়ে আমাৰ শ্রদ্ধেয় ৰৰাই কৈছিল। ১৯৫৯ চনত দ্বাৰভাঙ্গা মিলে আই এফ-চিয়েৰ পৰা চাৰি কোটি টকা ধাৰ লৈছিল। কিন্তু সেই মিল বন্ধ হৈ যায়। আই-এফ চিয়ে মোকৰ্দ্দমা কৰি দিয়া কাৰণে অসম চৰকাৰৰ মনোযোগ আকর্ষণ কৰে। হাই-কোর্টৰ আদেশ ক্রমে মোকৰ্দ্দমা উঠাই লৈ অসম চৰকাৰে যুটীয়া প্রতিষ্ঠান হিচাবে কৰিবলৈ আঁচনি গ্রহণ কৰিলে। নতুন কোম্পানী গঠন কৰা হল। আগৰ দুই জন মানুহ আছিল: বি-এল শৰ্ম্মা আৰু আনজন মি পলাক। এই মি: পলাকৰ সম্পর্কে কেইটামান কথা সদনৰ দৃষ্টি গোচৰ কৰিব খুজিছো। এওঁ বেঙ্কক আটলান্টিক কোম্পানীৰ শাখা এটা ভাৰতত খুলিছিল। মেনেজিং ডিৰেক্টৰ আছিল মিঃ পলাক। আকৌ তেওঁ দ্বাৰভাঙ্গা মিলৰ লগতো সহযোগ কৰিছিল। পিচত তেওঁ কেনেকৈ ঠগিলে তাৰ প্রমাণ দিওঁ শুনক। ১৯৬০ চনত দ্বাৰভাঙ্গা আৰু অন্ধ্ৰৰ দুয়োটা কাগজৰ মিলৰ কাৰণে একে ধৰণৰ যন্ত্র সৰবৰাহ কৰিছিল। অন্ধ্ৰৰ মিলত দুই কোটি উনচল্লিশ লাখ আঠসত্তৰ হাজাৰ টকা ললে আৰু দ্বাৰভাঙ্গাত ললে তিনি কোটি উনষাঠি লাখ আঠসত্তৰ হাজাৰ টকা। একে মেচিনেই দুয়ো ঠাইলে সৰবৰাহ কৰিলে কিন্তু তাৰ মাজতে দ্বাৰভাঙ্গাত এক কোটি বিশ লাখ টকা বেছি কৰি ললে। কিন্তু ক্রটিপূর্ণ পৰিচালনাৰ কাৰণে দ্বাৰভাঙ্গা মিল বন্ধ হবলগীয়া হল। এটা কাগজৰ কলৰ কাৰণে আশী লাখ টকা পানী যোগানৰ কাৰণে দৰকাৰ হয়। কিন্তু দ্বাৰভাঙ্গাত পানীৰ ব্যৱস্থা নাছিল। আকৌ আচৰিত কথা যে পলাকে ফৰাচী দেশত গৈ পেৰিচত ১৯৭০ চনৰ আগষ্ট মাহত নতুনকৈ চুজি নাম দি এটা কোম্পানী স্থাপন কৰিলে আৰু তাকো তেওঁ নিজে হস্তগত কৰিলে, মেনেজিং ডিৰেক্টৰো তেওঁ নিজেই। এই চুজিৰ লগতে যোগীঘোপাৰ কাগজৰ কলৰ ''বৈদেশীক সহযোগী' চুক্তি কৰা হল। এই চুজিয়ে অসমৰ ৰাইজক ভাল হালোৱা খুৱাব। আমাৰ অসম চৰকাৰৰ পৰা দুই জন বিষয়া গল পেৰিচত এই পলাকৰ কাম কাজৰ তদন্ত কৰিবলৈ। কিন্তু আমাৰ দুখীয়া অসমৰ পৰা আই-এ-এচ বিষয়া গৈ

পেৰিচৰ মনোৰম, সুন্দৰ, মনোমুগ্ধ সন্ধিয়াত দুখীয়া অসমৰ কথা পাহৰি গল. পাহৰি গল অসমৰ দুখীয়া ৰাইজৰ কথা, পাহৰি গল সকলো কথা! এজন বিষয়াই হেনো যোৱাৰ আগতে তেওঁৰ ফাইলত নোট কৰি গৈছে যে তেওঁ নতুন মেচিনাৰি কিনিবলৈ গৈছে। এজন আই-এ-এচ বিষয়া—Generalist - যাৰ কোনো কাৰিকৰী অৰ্হতা নাই-তেওঁ মেচিনৰ বিষয়ে কি জানে?

অধ্যক্ষ মহোদয়, মোৰ দ্বিতীয় প্ৰশ্ন হৈছে যে এই মিলৰ ইণ্ডাষ্ট্ৰিয়েল ফাইনেনচ কৰপৰেচনে অসম চৰকাৰক ২৫ লাখ টকাৰ অংশ বেছিলে। এই অংশ বিলাক ১৫ পাৰচেণ্টত অৰ্থাৎ অতি কমদামত বিক্ৰি কৰিছে। দ্বাৰভাঙ্গাৰ মিলক ১৯৫৯ চনতে I.F.C. য়ে ৪ কোটি টকা দিছিল। অসম চৰকাৰে নতুন কোম্পানীত অংশীদাৰ হবৰ কাৰণে এই ৪ কোটি টকাৰ জামিনদাৰ ( gurantor ) হল। ১৯৫৯ চনত এই টকা I.F.C. য়ে দ্বাৰভাঙ্গাৰ মিলটোক দিওঁতে বিহাৰ চৰকাৰ gurantor হোৱা নাছিল। এতিয়া অসম চৰকাৰ gurantor কিয় হল, অৰ্থাৎ I.F.C. য়ে যদিও অংশ বিলাক কমদামত ( শতকৰা ১৫ ত ) বিক্ৰি কৰিলে আনহাতেদি অসম চৰকাৰক gurantor কৰি এই ৪ কোটি টকা বচাই ললে। তাৰোপৰি মিলটো যদি ভালেই আছিল তেনেহলে ইমান কম দামত ( ১৫% ত ) কিয় অংশবোৰ বিক্ৰি কৰিছিল? ইয়ে মিলটোৰ বেয়া অৱস্থাৰ কথা নুবুজায়নে? মোৰ তৃতীয় প্ৰশ্ন হৈছে যে, এই প্ৰকল্পৰ কাৰণে কোন কোন মানুহৰ পৰা কোন কোন সূত্ৰৰ পৰা টকা সংগ্ৰহ কৰা হৈছে? মই শুনিবলৈ পাইছো যে, স্বাৰ্থজৰিত মানুহৰ পৰা মূলধন সংগ্ৰহ কৰা হৈছে। এইখিনিতে এটা কথা মই উল্লেখ কৰিব খোজো যে, বেলেন্স চিটত উল্লেখ কৰা আছে যে, share value of old share holders will remain unchanged. এটা উদ্যোগ ১১ বছৰ ধৰি বন্ধ হৈ আছিল, আৰু সেই উদ্যোগৰ share value আৰু অংশৰ মূল্য নকৰাতো অদ্ভুত কথা। মাত্ৰ বি, এল, শৰ্ম্মাৰ আৰ পোলকৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে এইটো কৰা হৈছে। এই ক্ষেত্ৰত কিয় এইটো ব্যতিক্ৰম কৰা হল? যদি I.F.C. ৰ পৰা ১৫% ত অংশ আনিব পাৰে তেনেহলে এওঁলোকৰ পৰাও কিয় কম দামত কিনা নহল? মোৰ চতুৰ্থ প্ৰশ্ন হৈছে যে, এই দ্বাৰভাঙ্গা মিলটো ১১ বছৰ বন্ধ হৈ থকাৰ পিচতো বেলেন্স চিটত তাৰ যন্ত্ৰপাতি বিলাকৰ একে মূল্যকেই দেখুৱা হৈছে। মোৰ পঞ্চম প্ৰশ্ন হৈছে যে, উদ্যোগিকৰণৰ কাম কাজ ত্ৰুটিপূৰ্ণ ভাবে পৰিচালনা হোৱাৰ কাৰণে প্ৰি-অপাৰেচনেল লচ হৈছে আৰু সেইটো বেলেন্স চিটত কেপিটেলাইজ কৰি কিয় অসম চৰকাৰৰ কান্ধত তাৰ বোজা পেলাই দিয়া হৈছে?

তাৰপাচত নাহৰকটিয়াৰ পেট্ৰ-কেমিকেল কমপ্লেক্সৰ কথা। জাপানৰ কলাব-ৰেচনত এই উদ্যোগ স্থাপন কৰা হৈছে । ইয়াৰ কাম ইমান লেহেম গতিত চলিছে যে মোৰ সন্দেহ হৈছে যে কাম কেতিয়া শেষ হব ? ইতিমধ্যে তাৰ বাবে ১ কোটি টকা খৰচ কৰা হৈছে । তাৰ প্ৰতিদান আমি কি পাম তাত মোৰ সন্দেহ হৈছে। এই প্ৰকল্পত যি গ্লু (GLUE) উৎপাদন হব সেইটো প্লাইউড শিল্পত ব্যৱহাৰ কৰা হয় । তাত যি পৰিমানৰ গ্লু উৎপাদন হব সেই পৰিমানৰ গ্লু আমাৰ দৰকাৰ নাই । এই ওপৰঞ্চি গ্লু বিক্ৰি কৰিবৰ কাৰণে আমাৰ বজাৰ কত ? উৎপাদন সামগ্ৰী বিক্ৰি কৰিবৰ কাৰণে বজাৰ কত ? প্ৰকল্প ঠিক কৰোতেই মাৰ্কেট চাৰভে বা ফিজিয়েবিলিটি ৰিপৰ্ট কৰা হৈছিলনে ? আমাৰ ইয়ালৈ জাপানৰ পৰা যি মেচিনাৰি কিনা হৈছে সেইবিলাক পৰীক্ষা কৰি চোৱা হৈছিলনে ? এই ক্ষেত্ৰত মই মাত্ৰ এটা কথা কব খুজিছো যে, ১৯৭০ চনত এই উদ্যোগ প্ৰকল্পৰ বাবে ফৰেইন কনচালটেন্টক দিবৰ কাৰণে ২৯ লাখ টকা অসমৰ উদ্যোগ বিভাগে ইউনাইটেদ কমাৰ্চিয়েল বেংকৰ পৰা ঋণ বা Letter of credit বিচাৰিছিল । তেতিয়া ভাৰত চৰকাৰে তাত আপত্তি দৰ্শাই তিনিটা কাৰণ দেখুৱাইছিল । প্ৰথম কাৰণ হৈছে, জাপানে কাৰিকৰী জ্ঞান গোপনে ৰাখিব বিচাৰিছে । দ্বিতীয় কাৰণ হল, ইয়েন বা ডলাৰ এই বৈদেশিক মুদ্ৰাত জাপানৰ সুবিধামতে এই টকা দিব লাগিব । তৃতীয়তে তাত জাপানীজ কনচালটেন্ট নিয়োগ কৰিব লাগিব । ভাৰত চৰকাৰে আপত্তি দৰ্শোৱা স্বত্বেও উদ্যোগ বিভাগে যথোচিত ব্যৱস্থা ললেনে ? উদ্যোগৰ ক্ষেত্ৰত মই কেইটামান পৰামৰ্শ দিব খুজিছো । প্ৰথম পৰামৰ্শ হল এই জনস্বাৰ্থবিৰোধী উদ্যোগ বিভাগৰ আমোল সংস্কাৰৰ প্ৰয়োজন হৈছে । তাৰ পাছত বছৰ বছৰ ধৰি এই উদ্যোগত বহুতো আৱৰ্জনা স্তুপিকৃত হৈ আছে, সেইবিলাক চাফা কৰিব লাগিব । অসমৰ বিখ্যাত পদাৰ্থবিদ ডঃ হিৰণ্য ভূঞাই এটা চক তৈয়াৰী কৰা মেচিনৰ কাৰণে হাবাথুৰি খাব লগা হৈছিল । দ্বিতীয়তে আমাৰ অসমত যিবিলাক উদ্যোগ স্থাপন কৰা হব তাত থলুৱা মানুহ নিয়োগ কৰিব লাগিব । তৃতীয়তে নিয়োগৰ সম্ভৱনা থকা উদ্যোগবিলাকত আমাৰ থলুৱা লোকক চাকৰি দিয়াৰ আগতে তেওঁলোকক তাৰ কাৰণে প্ৰশিক্ষন দিয়াৰ ব্যৱস্থা কৰিব লাগিব । চতুৰ্থ কথা হল মুলধন যোগান ধৰাৰ উপৰিও আমাৰ ডেকালৰা বিলাকক উদ্যোগৰ শিক্ষা দিব লাগিব । তাৰ কাৰণে উদ্যোগ সংগঠন আৰু বিজনেচ মেনেজমেণ্টৰ অতি প্ৰয়োজন । যদি এই উদ্যোগ বিলাকত অসমীয়া থলুৱা লোক

নিয়োগ কৰা হয় তেন্তে অসমৰ অৰ্থনীতি লাভৱান হব। আমাৰ মাননীয় সদস্য শ্ৰীগৌৰী শংকৰ ভট্টাচাৰ্য্যই কৈছে যে,

'দি চান কিচেচ দি আৰ্থ, দি মুন কিচ দি চি,
বাট হোৱাট আৰ দি কিচেচ ৱৰ্থ ইফ দাও নত কিচ মি'

অসমৰ এই উদ্যোগবিলাকৰ মৰমৰ চুমাই জনসাধাৰণৰ অৰ্থনীতিক যদি স্পৰ্শ কৰিব নোৱাৰে তেন্তে এই উদ্যোগ পতাৰ মূল্য নাথাকে। মোৰ পঞ্চম পৰামৰ্শ এই যে, অসমত যিবিলাক উদ্যোগ স্থাপন কৰা হৈছে তাৰ সহযোগত সৰু সৰু উদ্যোগ স্থাপন কৰা সমীচীন হব। এনে ফলপ্ৰসূ সহযোগী উদ্যোগৰ উদাহৰণ হল ৰাজহুৱ.খণ্ডত হিন্দুস্থান মেচিন টুল ফেক্টৰী। বঙাইগাৱঁৰ পেট্ৰকেমিকেলৰ লগতে পলিয়েষ্টাৰ সূতাৰ লগত এৰি পাট সূতা মিহলাই নতুন ধৰণৰ সূতা তৈয়াৰ কৰিব পাৰে। সেইকাৰণে মই অসম চৰকাৰক অনুৰোধ কৰো যে বঙাইগাৱত প্ৰকল্প সম্পূৰ্ণ হোৱাৰ লগে লগে আৰটিফিচিয়েল চিল্ক ফেক্টৰী গঢ়ি দিলে আমাৰ কাজি শিপিনি সকলৰ সৌজন্যত ডাঙৰ বস্ত্ৰ উদ্যোগ গঢ়ি উঠিব। শেষত মই আব্ৰাহাম লিংকনৰ এটা কথাৰে মোৰ বক্তব্য সামৰিব খুজিছো।

You can fool some people all the time, some of the people for some time but not all the people for all the time.

আমাৰ উদ্যোগ বিভাগে এই কথাতো যিমান সোনকালে উপলব্ধি কৰে সিমানেই দেশৰ মঙ্গল।

Shri Dulal Chandra Khaund : Mr. Chairman, Sir, while supporting the Cut Motion I would like to speak a few words in addition to what has been stated by my Hon. friends. Sir, I really sympathise with the Industry Minister for his position now. Because he is at the receiving end, receiving brick-bats not only from this side of the House but from all the corners of the House. His position is really unenviable, because he is sitting on two lame horses, if not half dead, the Industry Department as well as the Electricity Board. But I may assure him Sir that if he can turn the corner, and he is supposed to do it, we shall not mind throwing bouquet of scented flowers because we stand here

to speak not on the basis of blind mechanical anti-congressism but we stand here to speak on the basis of our policy of anti-imperialism, anti-feudalism and anti monopoly. Sir, here a reference has been made to the slogan 'Garibi hatao'. We fully support this slogan. The history behind this 'Garibi hatao' slogan is not so simple as has been said in this House. It has got a long history, a history of 22 years of mass struggle and mass fight and a consequence of this mass struggle, the Congress got split and this slogan of 'Garibi Hatao' is evolved and we fully support it. It is neither a day sooner nor is it inappropriate. But the question is whether it will be followed by action. A slogan if not followed by action is barren. Now the question is what action would be taken to follow the slogan of 'Garibi hatao'. There is an upsurge of the people and what is that upsurge ? That upsurge is anti-imperialism, anti-feudalism and anti-monopoly. But what is the logical conclusion of that upsurge ? Will the Government bring this upsurge to a logical conclusion ? Sir, I am not talking of socialism because I know that this Government cannot bring socialism. Socialism has an economic and political connotation but I am talking of logical conclusion of the slogan. In Assam the industrial policy must conform to the National econmic policy. But has it really in Assam ? So far as the industrial policy in Assam is concerned, it is pro-monopoly ; I say it is pro-monopoly because it has helped the monopolists of both the colours, white and brown. Sir, our State economy is under the grip of white monopolists. If we consider the position of the tea gardens in Assam we find that the industry is under the grip of mono-

polists. First few years they made investments in the tea gardens and now they are selling the gardens at fantastic prices. Sir, in Jorhat, sycotta garden is being sold at Rs.63 lakhs the value of which cannot be more than Rs.50 lakhs. Then in Amguri a garden is being sold at Rs.48 lakhs and its real value will not be more than Rs.30 lakhs. They have exhausted the gardens and after that they are selling only the shells, the contents have been consumed. Our brown monopolists who have got black money, they are utilising their black money in purchasing tea gardens and our Government is sitting tight. Only yesterday when a deputation came and met the Minister our Government came to know that Borbam tea garden is being sold. When outside monopolists purchase tea gardens in Assam what is their employment policy ? Sir, after the enquiry by the Employment Review Committee the postion regarding employment in these gardens has become worse. Sir, Borsola tea garden has been purchased by an outsider and there out of 30 clerical staff only 4 have birth place inside Assam. Sir, Birla, the owner of Joyshree Tea Co. is coming to the tea business in a big way. In one of his gardens, Meleng tea garden which is near the constituency of the Labour Minister, all the clerks have been brought from Rajasthan, U. P., Bihar etc., and not a single local man has been taken in.

Then Sir, the licencing policy of the State Government is such that it helps the monopolists to exploit our raw materials at a very cheaper rate. I will give you just one example. The Jayshree Tea Co. of Birla was given licence to start plywood factories in Assam and the company has

got two big plywood factories in Assam, one at Mariani and the other at Jaypore and Birla has been given our forest resources at a concessional rate, not given to any other factories and because of that many of the small factories have died and others are on the last leg of their life.

Sir, our coal industry is also owned by the British and as you know, our coal produced at Margherita and Ledu contains high percentage of sulphur. So, this coal cannot be utilised for any purpose other than railways. But as the railways are now going in more and more for diesel engines this coal is now in less demand. Can we not produce sulphur out of this coal and sell sulphur which is in great demand ? My point is that Assam is industrially backward but it has potentiality because we have got raw materials in this State. Sir, I totally oppose to inviting foreign monopolists or even Indian monopolists from outside Assam to invest money in our State. Here public sector must take the initiative in all industries including consumers' goods industries and the commanding height of the industrial growth in the State must be in the hands of the pubiic sector. As my hon. friend Dr. Robin Goswami has said, this Department which I have termed as swindlers' den must be thoroughly overhauled. Sir, you must have seen a photostat copy of a letter appearing in the Nilachal. some Deka of the Industries Department—I do not know who is that fellow is asking in that letter some Sarma of Associated Ice Factory that he will have to pay more money for certain appointments. They have prescribed rates for different posts like Superintendent, Accountant etc,. He has also said in that letter that here in Shillong this money is to be distributed

among many people because there are many shareholders. Therefore, Sir, this Department is to be overhauled.

Then Sir, the oil industry is a strategic industry a part of which is still continues to be in the hands of the imperialist company. Sir, the B.O.C.'s share in the Oil India Ltd. should be nationalised and the tea indusry should also be nationalised immediately.

Regarding Small and Cottage Industries, Sir, there are various problems, three major problems: One is the raw material. I know that many of the small industries had to be closed down. There was a bucket factory at Jorhat and that factory had to be closed down because of non-availability of galvanised sheets and many other small factories started by our people had to be closed down because of non-availability of raw materials. My suggestion, therefore, is that Government should take up this matter and a stock-yard of non-perishable materials should be started so that at different times these raw materials can be supplied to our young entrepreneurs who want to start small industries. The second bottleneck is capital, finanee and there is a provision for granting industrial loan. But I would like to give you one example. One young man, who is the son of late Krishna sarma who was at one time a very renowned Congress leader, that boy had to move in between offices here 59 times for industrial loans of Rs. 10,000/-. From 1967 to 1972 he had to move in between different offices and you know, Sir, in the Industries Department there are many hinges and wheels and all the hinges and wheels are to be properly oiled and then and then only you can open the door. In average, Sir, for a loan of

Rs 10,000/- a person has to spend Rs. 3,000/-. If he can spend Rs. 3,000/ he can get a loan of Rs. 10,000/- and that is the average: In some cases it may be more than that. So, this is the problem. Then the third problem is the problem of the small industries marketing problem: In Jorhat Industrial Estate some small industries were started. For one industry I will give you one example. One industry was making Howain Sandle. Their ex-factory price was Rs. 4.50. At that time the Howain Sandle made by the Bata Shoe Company was sold at Rs. 6.50 or Rs, 6.75 per pair. This industry had a local market. Now the Bata Company has lowered the price of its Howain Sandle to Rs. 4·75 or Rs. 5·00 and as a result this industry has lost its local market. This is the marketing problem. Our Marketing Corporation is there and I do not know what this Marketing Corporation is doing but at least this much I know that this Marketing Corporation is not giving any help to our Small Indstries for marketing their produces. So, our small industries are not getttng their raw materials whereas the Birlas are getting it nor they are being able to sell their produce at reasonable price. These are the problems. Moreover, Sir, I will give you one example as to how people are being swindled with the collaboration of Industrial Departmont by some unscrupulous people. In 1969 one industry was registered by some people at Jorhat, viz., Associated Ice Factory and Cold Storage. This industry got itself registered; it gave advertisement in the papers and lured our young people for service. He has collected from these young people two types of money. One type on postal order. He has accepted postal order of 5 rupees,

3 rupees like that and he did not accept any crossed postal order. With the postal orders the counter foils also had to be sent to him because without the counter foil he did not accept postal orders. I have collected a list and according to this list he has collected Rs. 1500/- only on postal orders. Then, he has lured our unemployed youths to pay him money ranging from Rs. 200 to Rs. 700. And here is a list of persons from whom he has so for collected Rs. 28 240/- but there is neither a factory nor any employment nor any training by this Associated Ice Factory. The Managing Director of this Associated Ice Factory is Shri R.K. Sarma and to this R.K. Sarma this 'Deka' of Shillong has written this letter. So, this Managing Director, R.K. Sarma has collected bribe from the unemployed youths and to this R.K. Sarma the said Deka from Shillong has written a letter the photostat copy of which was published in Nilachal..

Shri Md. Idris, Minister, Industries: Is there any share of the State Government to this Company?

Shri Dulal Chandra Khaund: No. This Company has applied for a loan of Rs. 3 lakhs to the Government. I do not know whether it has been granted or not uptil now. Then Sir, another point. There is an Industrial Liaison Officer and the activities of this Liaison Officer has been mentioned in the Report of the Employment Review Committee and because of the presence of the Liaison officer the Employment Review Committee said that the interest of our local people could be safeguarded but somebody in the high-ups of the Industries Department by a circular debarred this Liaison Officer from attending

interviews of the Selection Committee meeting in different industries. Because of this Liaison Officer some of our local people got employment. Therefore, somebody in the high up in the Industries Department, I do not know who is he, debarred this Industrial Liaison Officer from attending interviews of Selection Committees. In Jorhat Regional Research Laboratory and Namrup Fertilizer Factory where he was not present, outsiders were employed at the cost of our local people. Will the Minister please enquire into the matter to find out who is this high up who is so deliberately keen against the interest of our local youths? With these few words, Sir, I Commend this cut Motion for acceptance.

শ্ৰী মানবেন্দ্ৰ শৰ্মা: মাননীয় সভাপতি মহোদয়, আমাৰ সদনত উদ্যোগ বিভাগৰ মঞ্জুৰীৰ দাবীৰ ওপৰত বিৰোধী পক্ষই যি কৰ্ত্তন প্ৰস্তাব আনিছে মই তাৰ বিৰোধীতা কৰি দুষাৰ মান কথা কব খুজিছোঁ। আমাৰ প্ৰদেশত উদ্যোগ স্থাপন কৰাৰ উদ্দেশ্য হল যে আমাৰ যি অৰ্থনৈতিক অৱস্থা সেই অৰ্থনৈতিক অৱস্থাৰ উন্নতি কৰা। আৰু আমাৰ প্ৰদেশত যি নিবনুৱা সমস্যা আছে সেই নিবনুৱা সমস্যাৰ সমাধান কৰা। আমাৰ উদ্যোগ বিভাগে যোৱা স্বাধীনতাৰ পাচৰ পৰাই বহুত বিলাক আঁচনি হাতত লৈছে আৰু বহুত বিলাক আঁচনি হাতত লোৱাৰ কাৰণে আমাৰ চৰকাৰে ব্যৱস্থা কৰিছে। কিন্তু যি বিলাক আঁচনি হাতত লৈ কামত লাগিছে সেই আঁচনি বিলাকৰ দ্বাৰা আমাৰ দেশৰ অৰ্থনৈতিক অৱস্থা, আমাৰ দেশৰ দৰিদ্ৰতাৰ কিবা সমাধান হলনে? আমাৰ নিবনুৱা সমস্যা সমাধান কৰাৰ কাৰণে যি বিলাক ব্যৱস্থা উদ্যোগ বিভাগৰ জৰিয়তে লব খুজিছে তাৰ দ্বাৰা আমাৰ কিবা ব্যৱস্থা হলনে? এইটো যদি পৰীক্ষা কৰি চোৱা যায় তেতিয়াহলে তাৰ কোনো উন্নতি আমি দেখা পোৱা নাই। বহুত ডাঙৰ ডাঙৰ উদ্যোগ আমাৰ প্ৰদেশত পাতিছিলো আৰু পাতিবলৈ সিদ্ধান্ত লৈছো। এই উদ্যোগ বিলাকৰ পৰা আমাৰ স্থানীয় লোকক সুবিধা কৰি দিব পাৰিছোনে নাই? আমাৰ প্ৰদেশত উদ্যোগবিলাক স্থাপন কৰা হৈছে যদিও স্থানীয় বাইজৰ নিবনুৱা সমস্যা সমাধান কৰিব পৰা নাই। আমাৰ প্ৰদেশখন খেতি প্ৰধান দেশ। এই প্ৰদেশত যথেষ্ট পৰিমানে ধান আৰু ফলমুল উৎপাদন হয়। এই সম্পদ

বিলাক আহৰণ কৰি উদ্যোগ স্থাপন কৰাত আমাৰ চৰকাৰে কানসাৰ দিয়া নাই। এই প্ৰাকৃতিক সম্পদৰ ওপৰত ভিত্তি কৰি উদ্যোগ স্থাপন কৰিলে আমাৰ নিবনুৱা সমস্যা সমাধান কৰিব পৰা হব বুলি মই ভাবো। বৃহত উদ্যোগ স্থাপন কৰিবৰ কাৰণে যি মুলধনৰ প্ৰয়োজন সেই মুলধন আমাৰ মানুহৰ নাই। সেই কাৰণে বাহিৰৰ পৰা ব্যক্তিগত উদ্যোগপতি আনিব লগা হৈছে। ইয়াৰ মুল কাৰণ হল আমাৰ দেশৰ লোক সকল গৰীব। এই বৃহত উদ্যোগ বিলাকত আমাৰ গৰীব ৰাইজে মুলধন খটুৱাব নোৱাৰে। আমাৰ ইয়াত স্থাপন কৰা উদ্যোগ বিলাকত থলুৱা লোকে যথেষ্ট পৰিমানৰ চাকৰি নাপায় বুলি মাননীয় সদস্য সকলে উল্লেখ কৰিছে। বৃহত উদ্যোগ বিলাক যান্ত্ৰিক ব্যৱস্থাৰে পৰিচালিত হোৱাৰ কাৰণে যিমান খিনি মুলধন খটুৱা হয় সিমান পৰিমাণে চাকৰি দিব পৰা নাই। মই কব খোজা নাই যে বৃহত উদ্যোগ আমাৰ ইয়াত স্থাপন হব নালাগে। বৃহত উদ্যোগৰ লগে লগে ক্ষুদ্ৰ উদ্যোগ স্থাপন কৰিব লাগে। কৃষি ভিত্তিক-উদ্যোগ বেছি সংখ্যক স্থাপন কৰিলে আঞ্চলিক বৈষম্যতাৰ প্ৰতি চিন্তা কৰা হব। আমাৰ ইয়াত বহুত কেচামাল আছে; সেই বিলাকৰ ওপৰত ভিত্তি কৰি উদ্যোগ স্থাপন কৰিব পাৰে। আমি দেখিছো আমাৰ তেল যত পোৱা যায় তাত উদ্যোগ স্থাপন কৰা নাই। আমাৰ সদনৰ মজিয়াত সদস্যসকলে কৈছে যে য'ত কেচা মাল পোৱা হয় তাতেই উদ্যোগ স্থাপন কৰিব লাগে। মই কও য'ত উদ্যাগ নাই তাত কেচামাল আনি উদ্যোগ স্থাপন কৰিব লাগে। বহু সদস্যই কৈ গৈছে যে আমাৰ উদ্যোগ স্থাপন কৰাৰ পৰা উপকাৰ হৈছেনে নাই, আমাৰ নিবনুৱা সমস্যা সমাধান হৈছেনে সেই বিষয়ে মই পুনৰাবৃত্তি কৰিব খোজা নাই। আমাৰ স্থানীয় লোকক প্ৰশিক্ষন দি নিয়োগ কৰাৰ ব্যৱস্থা নকৰিলে আমাৰ উদ্যোগ প্ৰতাৰ কোনো অৰ্থ নাই। মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে যে বঙাইগাঁৱৰ পেট্ৰোকেমিকেল কমপ্লেক্সত স্থানীয় লোকক নিয়োগ কৰিবৰ কাৰণে চেষ্টা কৰিব। আমাৰ ইয়াত অৰ্হতা সম্পন্ন মানুহ নাই বুলি বাহিৰৰ পৰা মানুহ পঠিয়াই দিয়াৰ ব্যৱস্থা কৰিব পাৰে। সেই কাৰণে চাকৰিত আমাৰ মানুহ মকৰল কৰিবৰ বাবে প্ৰশিক্ষন দি অনাৰ ব্যৱস্থা কৰিব লাগে। এই বিষয়ত বিশেষ মনোযোগ দিব বুলি আশা কৰিলো। ইয়াকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**Shri Dulal Chandra Barua** : Mr Chairman Sir, many of my hon.friends have discussed on this subject and while commending the cut motions, I want to make a few observa-

tions on the Industrial policy of the Government. We have been observing that the industrial policy which has been followed by the State Government is not a policy at all. It is a borrowed policy from somewhere else. There are two aspects of the matter. One is wrong policy followed by our Government in respect of Industrial Development. The other is the Government of India's step-motherly attitude in respect of help to the State. In this connection I submit to you Sir, and also I want to draw the attention of the Minister in charge of Industries that there is no co-ordination between the setting up industries and employment opportunities occuring therefrom. I have repeatedly pointed out in this House that there should be proper co-ordination between industries, education and employment. This aspect has been completely overlooked by the State. If we want to start certain industries in the State we cannot run those undertaking with our own people on the ground that they are not properly qualified; The training side of the industrial unit is thoroughly overlooked and hence this handicap. Instead of being helpful it acts as an handicap, the benefit goes to somebody else. The limited few are benefited by this development and who are they. They are exploiters of the people and of the resources of the State. We are also lagging behind in respect of major industries. And at times, in the name of major industries we are forgetting our old haritage of establishing cottage industries with available raw meterials. I will try to high light the various aspects of the Government of India's step-motherly attitude. In the First and Second Plan no allocation was made by Government of India for industrial development and only

in the Third plan they had invested only 27.50 crores. In other States their capital investment from First Plan to Third Plan near about 80% more. In Calcutta they are getting nearly 95% more financial help than our State. Sir, in the report of the Review Committee published by the Government of Assam at page 11 it has been mentioned "that it is difficult to determine the magnitude of the problem. It is perhaps adviseable to allow 22 to 25 percent increase in 1970-71". Accordingly the over all investment was raised from Rs. 322 to 340 in the public sector by the Centre. The investement was 171.12 crores in the public sector for states, 27.45 in private sector and 70.18 crores. The total comes to Rs. 268.75 crores. If we take the figures for a comparative study then we will find that our State is the lowest in this respect. Now, coming to the main policy that is followed by the centre in respect of industrial development we have got something to say. At the time of planning, the Government of India should plan in such a way so that the general unbalance may be removed. The states which are industrially backward should get better help and opportunities to bring them at par with other States of India. Till today the picture is gloomy and regrettable. There are a lot of loop-holes in the industrial policy followed by the Government of Assam. In respect of raw materials for starting a paper mill Assam's position is supreme, But during the last 25 years in all these three plans we could not start a single paper mill in the State. The raw materials available for starting a paper mill indigenously is 98%. In Calcutta the percentage of available raw materials for starting a paper mill is only 29.84%. And even then West Bengal is having

more then 20 paper mills. In Bihar there are about 7 paper mills. The raw material available is only 12 percent and the rest are imported from outside. I do not understand why our State Government cannot start any. Our Government is not making any Survey about the availability of raw material and the possiblity of starting some paper mills. This aspect should be considered. I also submit that plans in respect of industrial development should be made in such a way that the resources can be distributed in an equitable manner. We have found that distributions are done in a discriminatory way. I am not in favour of so called industrialists coming from elsewhere and exploit our people and resources. I vehemently oppose that idea.

The raw materials are to be distributed in such a way that there is equitable distribution. Unless this Government tries to improve the rural economy - the rural economy is based on agriculture - and unless the Government revises its policy and unless Government gives more stress for the upliftment of the rural masses and unless the Government encourages the indigenous industries, this present policy of industrialisation cannot succeed and can give no benefit to the people of this State. In this connection I may be allowed to quote from the report of " Industrial Growth and Planning" by R. Venkataraman, Member, Planning Commission.

"The basic consideration underlying the Industrial Policy Resolution was to venture into new fields and to provide the country with the foundations of economic development by strengthening the basic industrial structure of the country. This implied long-term programme and sub-

stantial investment by the State not only for the development of basic and heavy industries such as iron and steel, machine building, fertilizers and chemicals, but also providing essential services such as water supply, power, transport and communications, besides undertaking direct promotional work of providing finance, marketing facilities, technical advice and other assistance to foster industrial development."

In our State there is no co-ordination betwren the different branches. Unless there is co-ordination there cannot be any industrial development here in Assam. In the report it is further stated :

"On the eve of independence the structure was simple and totally unbalanced. The overall contribution of industry to the national income was low. The relative backwardness of industrial development may be judged from the fact that its contribution to national income was a mere 5 to 6 per cent and the total labour force engaged in this sector was about 2.4 million or less then 2 per cent of the total working population in the sector. The more serious dimensions of backwardness was that except for the reduction of simple consumer goods like textiles, sugar and paper and some other consumer durables like bicycles, fans and sewing machines, very few key and heavy indusries existed."

To revive that thing we must consider that along with major industries ancillary industries which can feed the requirements of the local people who can also fit in with the excess man power in the rural sector should start forthwith. It has been observed that only through the development of a large number of medium and small scale

industries that the spread effect of industrialisation can be secured. Sir, these are some of the observations made by an expert. Unless medium and small-scale industries are developed there cannot be any industrialisation. In this context the observations of the Member, Planning commission is worth considering. It says: "Big industrial houses should not, as a general rule, be allowed to enter in relatively common industries such as production of consumer industries and that they should have full scope in technologically challenging fields. The financial institutions should not divert an undue proportion of the available resources to larger industrial houses whose own contribution to the project should be proportionately larger compared to medium-scale or new entrepreneurs." But what we have been doing? We have allowed big industrial houses like Birlas to enter small scale industries by giving them monopolies. My contention is that the industrial policy of the State should be re-oriented with a view to give incentive to the local entrepreneurs. We are having educated unemployed in our State. If we can take a firm policy to employ these young people in the industrial field they should be trained up and given all sort of facilities for taking up small industrial projects. From time to time we hear that different industries would be set up and the local boys would get employment. But nothing happens in practice and our youths become frustrated. We have the Tea Auction market at Gauhati. It is reported that some vested interest in Calcutta with the Management of tea gardens whose head offices are mainly in Calcutta are trying to sabotage this venture. I want

to draw the pointed attention of the Government to this aspect. We are glad that some jute mills are going to be established in Assam. It is learnt that some interested parties from Calcutta are trying to dissuade the Central Government from issuing licence to the Government of Assam for starting jute mills. These things should be seriously looked into, and I hope the Chief Minister will take up this matter witn the Prime Minister. As regards the Petro-chemical project that is going to be established at Namrup, Shri Goswami, Hon'ble Member, has already spoken. You are aware, Sir, that the Government promised that under the guidance of Industrial Development Corporation the project will be started soon. But that promise has still remained un-implemented. Sir, a team of our officers went to Japan under the leadership of the then Industries Minister by spending a lot of money. With the collaboration of some Japanese experts they also placed orders for some machinery with a Japanese farm worth Rs.4 crores and the Government of India promised to give financial assistance for purchase of the machinery. Those mcchineries arrived but the Government of Assam is not lifting it and we are to pay interest which the Japanese farm is demanding. If things are allowed to continue in such a manner in the industries Department we doubt very much how industrialisation of the State could be affected. Sir, during the decade many corporntions have been formed for industrial development of the State—Industrial Development Corporation, Small Scalc Industries Corporation etc. These coroporations have been formed as if only to give occur to the retired high officers. In this connection I

would like to point out that the Assam Conductors and Tubes was taken over by the Government. I have been told that this Government is rather convinced about the failure of this particular organisation. Sir, the heavy and increasing loss was mainly due to under-utilisation of existing man power and machinery. Improper management is also another reason of failure. The management did not take proper interest in this organisation. The Audit Report has clearly stated that "this Under-utilistion was mainly due to shortage of raw materials and working capital". Again in the Audit Report it has been observed that "the cash credit limit & bill limit has far exceeded and thus Bank has held up the raw material for which the factory had to remain without working". In order to fill up the loss it is necessary to increase the number of paid-up share capital sufficiently. Otherwise, the loss will further deteriorate the position. In this way, sir, this Organisation was allowed to continue. Here again I must submit, sir, without the approval of the shareholders, the S.I.D.C. Managing Director gave interests for the sale products of this particular projects, which he could not do. Sir, we find the particular management of this organisation is the main cause of this deterioration. That is why, sir, I submit that the whole industrial policy of the Government of Assam is to be changed and as regards the raw materials, we shall have to go for need-based raw materials according to the necessity of the local industries. With these words, sir, I commend my cut motion.

Mr. Speaker : The House stands adjourned till 2 p.m.

The House assembled after lunch with Mr. Speaker in the Chair.

Mr. Speaker : I have still 13 speakers and time at our disposal, if I set apart one hour for the Minister, is 90 minutes. I will call the Minister at 3-30 P.M. So 7 minutes can be allotted to each speaker. Yes Mr. Pandit ?

*শ্রীগুনেন্দ্র নাথ পণ্ডিত : মাননীয় অধ্যক্ষ মহোদয়, শিল্প বিভাগৰ মঞ্জুৰীৰ শিতানত কুটিৰ শিল্প আৰু গ্ৰামাঞ্চলৰ অন্যান্য শিল্পৰ উন্নয়ণৰ ক্ষেত্ৰত যি মঞ্জুৰীৰ দাবী উত্থাপিত হৈছে তাৰ সমৰ্থনত আৰু কৰ্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি দুষাৰ মান কব খুজিছো।

এই শিতানত আমাৰ মাননীয় সদস্য সকলে বিভিন্ন ৰকমে মন্তব্য দিছে আৰু বিভিন্ন ত্ৰুটি-বিশ্ৰুতিৰ কথাও দাঙি ধৰিছে। অসম শিল্পৰ ক্ষেত্ৰত আগবাঢ়িব নোৱাৰাৰ কিছু কথা কব খুজিছো। আমাৰ ইয়াত কুটিৰ শিল্প গ্ৰামাঞ্চলৰ শিল্পৰপৰিবেশ একালত আছিল আমাৰ সমাজ ব্যৱস্থাৰ কাৰণে সেই শিল্পৰ কেন্দ্ৰ স্বৰূপ কমাৰ গাওঁ, কুমাৰ গাওঁ, সোনাৰী গাওঁ, কাটনী গাওঁ আদি অনেক আছিল। শিল্পৰ ক্ষেত্ৰত আমাৰ দেশখনে বহু দিনৰ পূৰ্বেই আবেদন জনাইছিল; কিন্তু আমাৰ সমাজ ব্যৱস্থাই এই বিলাক কথা ঘৃণাৰ চকুৰে চাই আহিছে, ফল স্বৰূপে সেইবোৰ মানুহে কৌটিকলীয়া সেই শিল্পবোৰ এৰিয়েই দিছে।

যি সময়ত ইণ্ডাষ্ট্ৰিয়েল ৰিভলুচন হয়, সেই সময়ত আমাৰ ইয়াত নেওঠনী আছিল। আজি শিল্প বিভাগত চৰকাৰে যিমান বিলাক ব্যৱস্থা লৈছে সেই বিলাকত নানা ত্ৰুটি-বিশ্ৰুতি থকা স্বত্বেও এই শিল্প বিলাক ভালেখিনি আগবাঢ়ি গৈছে। আমাৰ ইয়াৰ কুটিৰ শিল্পৰ ক্ষেত্ৰত কিছুমান দুখ লগা কথা আছে। সৰ্থেবাৰীৰ কাহঁ, পিতলৰ বাচন এই শিল্পৰ আজি মৃত প্ৰায় অৱস্থা হৈছে। শোৱালকুচিৰ কাপোৰৰ চাহিদা বিশ্বৰ বজাৰত অন্যতম। কাৰণ বিদেশৰ পৰা অহা লোকসকলে ইয়াৰ কাপোৰ আৰু ফুল বছা কাপোৰ যি কাপোৰ বহু পৰিশ্ৰমৰ মূৰত তৈয়াৰ হয় সেইবিলাকৰ ভূয়সী প্ৰশংসা কৰে, সেই কথা আমি জানো সেইবিলাক আধুনিকীকৰণ কৰিব বুলি মই আশা ৰাখিছো।

ইতিমধ্যে বিভিন্ন ৰকমৰ কুটিৰ শিল্প আমাৰ ইয়াত বিশেষকৈ মোৰ অঞ্চলত কঠৰ কাম আৰু কঠৰ ওপৰত এমব্ৰইদাৰী কৰা কামৰ চাহিদা বজাৰত আছে। এই বিলাকৰ পুনৰ উদ্ধাৰৰ ব্যৱস্থা আজিলৈকে হোৱা নাই। তাৰ বাহিৰেও বাঁহ-বেটৰ কাম আমাৰ ইয়াত আছে। মোৰ ককাইদেউ এজনে চীন দেশৰ পৰা এজোৰ বাঁহ-বেটৰ ওৱাটাৰ প্ৰুফ কাপ-প্লেট মোক আনি দিছিল, সেই

*Speech not corrected

ধৰণৰ কাপ-প্লেটবোৰ ভাঙি-চিঙি উৰলি নাযায়, এই ধৰণৰ কাপ-প্লেটৰ চাহিদা গোটেই পৃথিবী জুৰি আছে। আমাৰ অসমত যিবোৰ স্থানীয় কুটিৰ শিল্প আছে সেই শিল্পবোৰ আধুনিকীকৰণ কৰি তাত স্থানীয় লোকে সুবিধা পোৱাৰ ব্যৱস্থা কৰিব লাগে। সেই শিল্প বোৰত যি উৎসাহ পাব লাগে সেই উৎসাহ দিয়াৰ অভাৱ হৈছে, এই বিষয় নানা ৰকমৰ সমালোচনা ইয়াত হৈছে। এসময়ত ওৱানচু কমিটিয়ে অসমক অনগ্ৰসৰ এলেকা বুলি অভিহিত কৰিছিল। কিন্তু চৰকাৰে অসমক মহাৰাষ্ট্ৰ আৰু পশ্চিম বঙ্গত লগত সাঙুৰিলে। সেই হিচাবে সেই ঠাই তুখনে যি সুবিধা পায় অসমেও সেই সুবিধা হে পায়, গতিকে এতিয়া অসমখনক এখন পিচ পৰা আৰু অনগ্ৰসৰ এলেকা বুলি চিন্নিত কৰিব লাগে। ওৰনচু কমিটিৰ পৰামৰ্শ মতে অসমক অনগ্ৰসৰ এলেকা হিচাবে উদ্যোগ প্ৰতিস্থা কৰাৰ কাৰণে কিছুমান আৱশ্যকীয় তথ্য দিব লাগিছিল। কিন্তু চৰকাৰে সেইটো নকৰি অসমক মহাৰাষ্ট্ৰ আৰু বঙ্গ দেশৰ লগত একে লগ কৰি কলে যে মহাৰাষ্ট্ৰ আৰু বঙ্গ দেশত যি ধৰণে শিল্প বিকাশৰ চেষ্টা কৰা হব ঠিক তেনেকৈ অসমতো কৰা হব। তাৰ ফলতেই অসমত আজি যি ধৰণে শিল্প প্ৰতিস্থিত হব লাগিছিল সেই ধৰণে হোৱা নাই। অসমক মহাৰাষ্ট্ৰ আৰু বঙ্গদেশৰ সমপৰ্য্যায়ত অন্ততঃ উদ্যোগৰ ক্ষেত্ৰত বিবেচনা কৰাতো সমিচিন হোৱা নাই। আজি আমাৰ উদ্যোগ বিভাগৰ কেন্দ্ৰীয় চৰকাৰে যদি আবশ্যকীয় হিচাবে টকা দিলেহেতেন তেনেহলে অসমৰ শিল্প গঢ়ি উঠাত সহজ হলহেতেন। আমাৰ চৰকাৰে যিমানেই শিল্প উদ্যোগ প্ৰতিস্থিত নকৰক কিয় এই বিভাগে আজিলৈকে একো কৰা নাই বুলি কলে অৰ্থাৎ সমালোচনা কৰিলে এই বিভাগক নিৰুৎসাহ কৰা হব। তাৰ দ্বাৰা উদ্যোগ প্ৰতিস্থাৰ কাম সুচাৰুৰূপে চলাব নোৱাৰে। ইয়াত এই সম্পৰ্কে পৰামৰ্শৰ কথা উল্লেখ কৰিছো। সেই কথাটো মই পঢ়ি দিছো। "সম্ভাব্য শিল্পদ্যোগীক ক্ষুদ্ৰ উদ্যোগ পাতিবৰ বাবে আকৰ্ষিত কৰিবলৈ চৰকাৰে এক আঁচনি গ্ৰহণ কৰিছে। এই আঁচনি অনুযায়ী চৰকাৰে উদ্যোগ বিভাগৰ জৰীয়তে নিৰ্দিষ্ট অঞ্চলত উপযুক্ত মাটি অধিগ্ৰহণ কৰে, ক্ষুদ্ৰ উদ্যোগ স্থাপনৰ উপযোগীকৈ মাটিখিনি প্ৰস্তুত কৰে, ৰাস্তা-পথ, পানী, বিজুলী শক্তি আদিৰ যোগান ধৰে আৰু নতুন উদ্যোগ আৰম্ভ কৰিবৰ কাৰণে প্ৰয়োজনীয় সুবিধাজনক পৰিবেশৰ সৃষ্টি কৰে। এতিয়ালৈকে ৰাজ্য চৰকাৰে উদ্যোগ বিভাগৰ জৰীয়তে গুৱাহাটি, গোলাঘাট, তেজপুৰ, মঙ্গলদৈ নাৰায়নপুৰ আৰু উত্তৰ লক্ষীমপুৰত মাটি লৈছে। এই অঞ্চলসমূহত মাটিখিনি উপযোগী কৰি তোলাৰ কাম চলি আছে। তদুপৰি বঙাইগাওঁ, অভয়াপুৰী,

বোকাখাট, নামৰূপ, বদৰপুৰ আৰু বৰপেটাতো মাটি অধিগ্ৰহণ কৰিবলৈ বিচৰা হৈছে। এই অঞ্চল সমূহত মাটিখিনি উপযোগী কৰি তুলি নতুন উদ্যোগ গঢ়িবৰ বাবে প্ৰয়োজনীয় সুবিধাজনক পৰিবেশ গঢ়ি তোলা হ'ব।

ৰাজ্যিক উদ্যোগ বিভাগে ব্যক্তিগত উদ্যোগপতিৰ প্ৰয়োজন অনুসৰি একো একোখন ঠাইত পানী, বিজুলী আদিৰ যোগান ধৰিছে। আমি ইতিমধ্যে তলত উল্লেখ কৰা আঁচনিসমূহ হাতত লৈছো —(১) গোলাঘাট জুইশলা কাৰখানা (২) গুৱাহাটীত গ্ৰীচ কাৰখানা আৰু (৩) নাৰায়ণপুৰত খান্দচাৰী গুৰৰ কাৰখানা।

উদ্যোগ বিভাগে ইতিমধ্যে এই মাটিবোৰ অধিগ্ৰহন কৰিছে, কিছুমান উপযোগী কৰি তুলিছে আৰু কিছুমানত কাৰখানাৰ ছালি সজা কাম চলি আছে।

আজিলৈ যিমান খিনি শিল্প, পাম গঠিত হৈছে শিৱসাগৰ, যোৰহাট, নগাঁও আদিত এটাও হোৱা নাই। এটা কথা কওঁ যে নগাঁও শিল্প উদ্যোগ পামখনৰ বাবে ৩।৪ বাৰ বিজ্ঞাপন দিয়া স্বত্বেও কোনো ঠলৌৱা মানুহ আগবাঢ়ি নাহিল। মোৰ কথা হৈছে শিল্প বুলি চিঞৰি নাথাকি আমাৰ মানুহ বিলাক আগবাঢ়ি আহিব লাগে। আৰু এই দৰে প্ৰস্তাবিত উদ্যোগ প্ৰস্তুত কৰিয়েই আমি শিল্প বিষয়ত আগবাঢ়ি যাব পাৰিম। কিন্তু আমাৰ শিল্প ক্ষেত্ৰত লাইচেন্সৰ ক্ষেত্ৰত মানুহ বিলাকে লাইচেন্স লৈ উদ্যোগৰ নামত ব্লেক কৰিছে। অৰ্থাৎ কলাবজাৰত বিক্ৰি কৰি লাভ লৈ বহি আছে। এইকাম বিলাক বিশেষকৈ পেৰাফিনৰ লাইচেন্সৰ ক্ষেত্ৰতেই হৈ আছে। এইদৰে উদ্যোগৰ ক্ষেত্ৰত নিৰুৎসাহ নহৈ ক্ষুদ্ৰ কুটিৰ শিল্পই হওক বা মেজৰ কুটিৰ শিল্পই হওক জাতীয় উন্নতিৰ হকে বিভাগীয় কৰ্তৃপক্ষক অনুৰোধ জনাইছো।

* শ্ৰীৰাম চন্দ্ৰ শৰ্ম্মা : অধ্যক্ষ মহোদয়, উদ্যোগ শিল্পৰ ওপৰত অনা কৰ্ত্তন প্ৰস্তাবটো মই সমৰ্থন জনাইছো। মই নতুন এটা উদ্যোগৰ কথা কবলৈ ওলাইছো। সেইটো হৈছে ৰসগোল্লাৰ উদ্যোগ। এই উদ্যোগটো অসমত ভাল চলিব কাৰণ ইয়াত ৰ-মেটেৰিয়াল অৰ্থাৎ অসমত গাখীৰ বেছি পোৱা যায়। গতিকে বাহিৰৰ পৰা অহা মানুহ দুজনে, নাম অৱশ্যে মনত নাই, ধৰক এক্স আৰু জেদে কলে ৰসগোল্লা উদ্যোগৰ লাইচেন্স এখন লৈ ব্যৱসায় আৰম্ভ কৰিলে যদি ১০ টকা লাভ হয় তাৰ ৫ টকা চৰকাৰক দিব আৰু ৫ টকা তেওঁলোকে ৰাখিব। তাৰ পাচত এক্স আৰু জেদ দুয়ো বজাৰলৈ ৰসগোল্লা বিক্ৰি কৰিবলৈ গল। এজনৰ হাতত ৰসগোল্লা আৰু এজনৰ হাতত টকা। শেষত দুয়োজনে বিক্ৰি কৰি পালে অৰ্থাৎ খৰছৰ ওপৰত থাকিলেগৈ ১০ পইচা। তাৰে ৫ পইচা নিজে লৈ ৫ পইচা

*Speech not corrected

গভৰ্ণমেণ্টক দিলে। টকা লৈছিল ১০ হাজাৰ, আটাইখিনি খৰছ হল অৰ্থাৎ ৰসগোল্লা বিক্ৰি হল উদ্যোগৰ লাভ হিচাবে থাকিল মাত্ৰ চানাৰ পানীখিনি। এয়ে হৈছে অসমৰ উদ্যোগ। অসমত যিমান বিলাক কেচা মাল আছে আমি প্ৰায় বিলাক উদ্যোগ কৰিব পাৰো আৰু নিবনুৱা সমস্যা সমাধান কৰিব পাৰো দেশখনকো সমৃদ্ধিশালী কৰি তুলিব পাৰো। কিন্তু এইবিলাকৰ ঠাইত আজি যুৱক যুৱতি সকলে যিবিলাক উদ্যোগৰ কাৰণে আন্দোলন কৰিছিল সেইবিলাকতো চাকৰি পোৱা দূৰৰ কথা দেখিবলৈকো আপুৰুগীয়া বস্তু হৈ পৰিল। তুলীয়াজানত যি অইল ইন্দিয়া আছে, তাত ঠলুৱা নিয়োগ দুৰৰ কথা সেই চহৰ খনলৈ গলে ইউ,পিৰ টাউন যেন হে লাগে। আজি অসমৰ টাউন বিলাকৰ যি অৱস্থা তাক বুজাব নোৱাৰি। তেজপুৰৰ অৱস্থা বুজাব নোৱাৰি। আৰু যিবিলাক উদ্যোগ আছে তাৰ পৰাও কোনো লাভ হোৱা নাই। লক্ষীমপুৰততো কোনো উদ্যোগ নাইয়েই। আমাৰ অসমত যিমান মৰাপাত আছে তাৰে বেছিকৈ উদ্যোগ খুলি চৰকাৰে নিবনুৱা সমস্যা সমাধান কৰিব পাৰে, কিন্তু সেইবিলাক বাহিৰলৈ পঠোৱা হয়। নগাওঁতেই যদি মৰাপাটৰ ডাঙৰ উদ্যোগ এটা খোলা হয় সেইটো ভালদৰে চলিব। আগতে যিবিলাক উদ্যোগ খোলা হৈছে তাৰ পৰা কোনো লাভবান হোৱা নাই। সেই কাৰণে নতুন চৰকাৰক এই উদ্যোগ বিলাকলৈ লক্ষ্য ৰাখি উন্নতিৰ পথত আগবঢ়াবলৈ মই আশা ৰাখি মোৰ ব্যক্তব্যৰ সামৰণি মাৰিলো।

* **শ্ৰীবিৰেন ৰাজ ফুকন:** মাননীয় অধ্যক্ষ মহোদয়, আজি উদ্যোগ বিভাগৰ মঞ্জুৰীৰ দাবীৰ শিতানত যিটো কৰ্ত্তন প্ৰস্তাব আনিছে মই তাৰ বিৰোধীতা কৰি দুষাৰমান কথা কব খুজিছোঁ। আজি মই চৰকাৰক ধন্যবাদ দিছো যে আমাৰ চৰকাৰে উদ্যোগ গঢ়ি তুলিবলৈ এটা প্ৰচেষ্টা কৰিছে। কিন্তু অকল চেষ্টা কৰিলেই নহব, এই বিলাক কেনেকৈ কামত আহিব পাৰে তেখেত সকলে সেইটো চাব লাগে। আজি আমাৰ অসমত বহুত বিলাক উদ্যোগ গঢ়ি উঠিছে আৰু বহুত বিলাক গঢ়ি উঠাৰ উপক্ৰম হৈছে। আমাৰ পেট্ৰ'কেমিকেল কমপ্লেক্স গঢ়ি উঠিছে, কাগজৰ কল ইত্যাদি হৈছে। আৰু মই আশা কৰিছো আমাৰ অসমত যি বিলাক উদ্যোগ গঢ়ি উঠিছে আৰু যি বিলাক উদ্যোগ গঢ়ি উঠিব সেইবিলাকত যেন আমাৰ শিক্ষিত নিবনুৱা ডেকাই নিযুক্তি পায় তাৰ ব্যৱস্থা এই চৰকাৰে কৰি দিব লাগিব। মই এটা কথা কব খুজিছো যে আমাৰ উদ্যোগ বিলাক যেতিয়াই গঢ়ি তুলিবলৈ চেষ্টা কৰে তেতিয়াই আমাৰ শিক্ষিত ডেকা লৰা বিলাকক দেশ বিদেশলৈ পঠিয়াই শিক্ষিত

*Speech not corrected

কৰি আনিব লাগে যাতে সেইবিলাক উদ্যোগত আমাৰ লৰাই কাম পায়। নহলে আমাৰ লৰাৰ অৰ্হতা নাই বুলি তেওঁলোকক বঞ্চিত কৰে। সেই কাৰণেই মই চৰকাৰক অনুৰোধ কৰিছো যাতে চৰকাৰে আমাৰ এই শিক্ষিত লৰা বিলাকক কাৰীকৰি শিক্ষা দিয়াই আনিব লাগে যাতে তেওঁলোক আমাৰ অসমতে গঢ়ি উঠা উদ্যোগ বিলাকতে বঞ্চিত হব নালাগে, আৰু চাকৰী নাপালেও যাতে যি কোনো ব্যৱসায় আদি কৰিব পাৰে।

আমাৰ যি বিলাক নিবনুৱা শিক্ষিত ডেকা আছে তেওঁলোকে কোনো ডাঙৰ উদ্যোগ গঢ়ি তোলাৰ ক্ষমতা নাই। কিন্তু আমাৰ সৰুসুৰা উদ্যোগ বিলাক গঢ়ি তুলিবৰ কাৰণে আমাৰ চৰকাৰে আমাৰ লৰা বিলাকক এনে ভাবে সহায় কৰিব লাগে যাতে আমাৰ নিবনুৱা ডেকা লৰা বিলাক কিছু পৰিমানে উপকৃত হব পাৰে। আমাৰ ইয়াত সৰু সুৰা বহুত উদ্যোগ গঢ়ি তুলিব পাৰে যেনে গজাল, বল্টু এনে ধৰণৰ উদ্যোগ। এনে উদ্যোগবিলাক কৰিবলৈ চৰকাৰে আমাৰ লৰা বিলাকক সহায় কৰিব পাৰে আৰু উৎসাহ যোগাব লাগে আৰু লগতে এইটো কৰাৰ চৰকাৰৰ এটা নৈতিক দায়িত্বও আছে। কাৰণ আমি দেখিছো আমাৰ চৰকাৰে বহুত সময়ত আমাৰ নিবনুৱা সমস্যা সমাধান কৰিবলৈ আমাৰ ডেকা সকলক উদগনি যোগাবলৈ চেষ্টা কৰি আহিছে। কিন্তু আমি দেখিছো মমৰ কাৰখানা খুলিবলৈ পেৰাফিনৰ যি পাৰমিট দিছিল সেই পাৰমিটৰ ব্যৱহাৰ কৰা নাই অপব্যৱহাৰহে কৰিছে। সেই কাৰণে মই ভাবো চৰকাৰে এই বিলাক পাৰমিট দিয়াৰ সময়ত এই বিলাক কথা যথেষ্ট পৰিমানে ভাবি চিন্তি চায় যেন। তেতিয়া-হলেহে এই পাৰমিট বিলাকৰ সৎ ব্যৱহাৰ হব। তাৰোপৰি আমি বহুত বিলাক সৰু সুৰা উদ্যোগ গঢ়ি তুলিব পাৰো যেনে নেমু, কমলা, আনাৰস এই বিলাক প্ৰচেচ কৰি কেনিং কৰা কামত ডেকা সকলক উদগনি আৰু সাহাৰ্য্য দিব লাগে যাতে তেওঁলোকে এই শিল্প বিলাক গঢ়ি তুলিব পাৰে।

তাৰ পাচত আজি মই এটা কথা কব খুজিছোঁ যে আমাৰ যি হলাৰ মেচিন বহুত বিলাকক দিয়া হৈছিল তাৰ কাৰণে মই চৰকাৰক ধন্যবাদ দিছো। কিন্তু মোৰ আঞ্চলিক পঞ্চায়ত এলেকাৰ ভিতৰত বহুত বিলাক মানুহে দৰ্খাষ্ট কৰিও পাৰমিট পোৱা নাই। মই আশা কৰো চৰকাৰে সেই বিলাক কথা বিবেচনা কৰি চাব। ইয়াৰ উপৰিও আমাৰ যি বিলাক প্লাইউড ফেক্টৰী আছে তাত আমি দেখিবলৈ পাইছো যে যিমানবিলাক লৰা সোমাব পাৰিব লাগিছিল সিমান খিনি সোমাব পৰা নাই। সেই ব্যৱসায়টো আবদ্ধ আছে আমাৰ পুঁজিপতি সকলৰ

হাতত। এই প্লাইউড ফেক্টৰী আমাৰ অসমীয়াৰ হাতত তেনেকৈ বিশেষ নাই। মই জনাত মাত্ৰ এটাহে অসমীয়াৰ হাতত আছে। মই আশা কৰিছো আমাৰ চৰকাৰে আমাৰ শিক্ষিত ডেকা লৰা বিলাকক এই উদ্যোগটোত সোমাবলৈ নিশ্চয় চেষ্টা কৰিব। মোৰ আৰু বিশেষ কবলগীয়া নাই। মই চৰকাৰক আকৌ এবাৰ অনুৰোধ কৰিছো যাতে মই কোৰা কথাখিনি তেখেত সকলে ভাল ভাবে বিবেচনা কৰি চায়। ইয়াকে কৈ মই সামৰণি মাৰিলো।

Shri Charan Narzary : Mr. Speaker, Sir, in support of the Cut Motion I want to speak a few words. Considering the time factor, I will try to be very very brief, Mr. Speaker, Sir, in the changed circumstances of our social life, there has been a need for industries, I say, more industries in the State of Assam. Normally, we find that there are 3 kinds of industries, viz., the consumer goods industries, processing industries and handicraft and art pieces and in Assam there is enormous scope for the expansion of the industries like weaving, cane and bamboo works, carpentry, smithy, tanning, fruit-preservation, bee-keeping, boat-making, hand-pounding of rice together with the illustrious muga and eri of Assam.

Now, I am not speaking of the major industries; I will try to dwell chiefly on the small scale industries, particularly the cottage indusries. In order to encourage the cottage industries, the government have established a number of Production Centres in different parts of the State but experiences have clearly shown that all these Production Centres have not been functioning successfully and efficiently.

Mr. Speaker, Sir, the need for establishing more and more industries has become paramount because of one important factor. That is, with the continued fragmentation of agricultural lands, thousands of youths in the

rural areas are now unemployed and for this large number of unemployed youths there is the big question of creating employment opportunities or avenues of employment which this Government have failed to do. Mr. Speaker, Sir, I hope the Government and the Ministry concerned will look into this aspect of the matter.

In this connection, I would draw the attention of the Hon. Minister in charge of Industries that before the last General Elections the foundation-stone was laid at a place known as Balagaon near Kokrajhar by the then Indusry Minister Mr. Biswadev Sarma for the establishment of the Industrial Estate. The Industry Minister was accompanied by the then Forest Minister Shri R.N. Basumatari. The local people there hoped that something important and big is going to happen wherein they will get ample opportunities to be employed. But since then nothing has been heard of that Industrial Estate. It is a tragedy on the part of the Government. I do not know, Mr. Speaker, Sir, whether this Government is pursuing the matter, whether it is going to establish the Industrial Estate or not. ( Speaker's bell rang).

Mr. Speaker, Sir, the Government is not doing anything to support the weaving industry which is widely prevelent among the Bodos. Beautiful Bodo designs are in great demand everywhere. Long, long ago Sir Akbar Hydar Ali and his Mrs. visited Kokrajhar and they were deeply attracted by the beautiful Bodo designs woven by the Bodo women. If these fine things are put in the market, then, I am sure, it will be a good source of revenue for the

Government. That is why, I request the Industry Minister to take note of it.

Mr. Speaker, Sir, in respect of industrialisation I want to point out that the representation of tribal people in the industrial projects is very miserable. That is why, I want to draw the attention of Hon. Industry Minister through you, Sir, to take note of this point also. The impact of industrialisation on the rural people has rather become very crushing. Because while establishing a particular industry, the Government do not take precautionary measures before hand to prevent the exploitation of the local people. For instance, the Petro-chemical Complex is going to be established at Bongaigaon, and as a result, the impact of the said industry is going to be very crushing upon the local people there. The people surrendering the area of land are going to be uprooted from their hearth and home. There is no measures from the Government side to stop exploitation. That is why, Ms. Speaker, Sir, I want to request this Government to take special note of the view points I have already mentioned. For want of time to-day, although I had a mind to dwell on a number of other points also, I have rather been compelled to conclude my speech here.

শ্ৰীলীলাকান্ত দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ শিল্পৰ শিতানত যি কৰ্ত্তণ প্ৰস্তাৱ আনিছে সেই কৰ্ত্তণ প্ৰস্তাৱৰ বিৰোধীতা কৰিছো আৰু শিল্পৰ শিতানত যি মঞ্জুৰী বিচাৰিছে সেইটো সমৰ্থণ জনাইছো আৰু ৰাইজৰ শিল্পৰ সম্পৰ্কীয় বিষয়-টোৰ সংক্ৰান্তত দুষাৰ মান কবলৈ আগবাঢ়িছো। আজি ২৫ বছৰ শাসনৰ পিছত যিথন ৰাজ্যত প্ৰাকৃতিক সম্পদ অতি বেছি, যিথন ৰাজ্যত খনিজ সম্পদ বেছি, যিথন ৰাজ্যৰ ৰেচম শিল্প পৃথিবীৰ ভিতৰতে বিখ্যাত, যিখন ৰাজ্যৰ চাহশিল্প পৃথিবীৰ ভিতৰতে বিখ্যাত, যিখন ৰাজ্যৰ মীণ ক্ষেত্ৰ ভাৰতৰ ভিতৰতে বিখ্যাত অথচ

আজি এই ৰাজ্যত শিল্প সম্পৰ্কীয় বিষয়টো জনসাধাৰণ আৰু ৰাইজৰ প্ৰতিনীধিৰ মাজত যি আক্ষেপৰ পৰিলক্ষিত হৈছে সেইতো অতি দ'কৈ ভাবিবলগীয়া বিষয়। এই সম্পৰ্কত বৰ্ত্তমান চৰকাৰে নতুন দিশত এই ৰাজ্য এখনক উদ্যোগীকৰণ কৰাত বিশেষ গুৰুত্ব আৰোপ কৰিব লাগে। আজি ২৫ বছৰৰ ভিতৰত এই ৰাজ্যখনৰ শিল্প প্ৰতিস্থা কৰাৰ সম্পৰ্কত যিখিনি অহুকাল বা যি খিনি কুপনালি চলি আহিছে ইয়াৰ বাবে সম্পূৰ্ণ দায়ী কেন্দ্ৰীয় চৰকাৰ বুলি মই কব খুজিছো। যদি কেন্দ্ৰীয় চৰকাৰৰ হাতত বৃহৎশিল্প প্ৰতিস্থা কৰাৰ পূৰ্ণ কৰ্ত্তৃত্ব নাথাকিলেহেতেন তেতিয়াহলে অসম ৰাজ্যখনত বৃহৎশিল্প প্ৰতিস্থা বা ক্ষুদ্ৰ শিল্প প্ৰতিস্থা কৰাৰ ক্ষেত্ৰত এনে এটা দুখলগা অবস্থাৰ সৃষ্টি নহলহেতেন। আজি অসমত বৃহৎ শিল্প প্ৰতিস্থা কৰাৰ ক্ষেত্ৰত যি লোকচান হিচাব পৰিলক্ষিত হৈছে, সেইটো অতি পৰিতাপৰ বিষয়। মই আজি নতুন চৰকাৰক এই পৰিবৰ্ত্তনশীল গতিত এটা কথা কব বিচাৰিছো ঃ আজি আমাৰ ৰাজ্যখনক শিল্পমুখি আৰু উদ্যোগীকৰণ কৰাৰ আমাৰ যিখিনি সম্পদ আছে, এই সম্পদ খিনি ভালকৈ অনুশীলন কৰি ইয়াৰ দ্বাৰা এই ৰাজ্যখনত শিল্পৰ ওপৰত বিশেষ ধৰণে মনোযোগ দি শিল্পৰ উন্নতিসাধন কৰাৰ ওপৰত চৰকাৰে বিশেষ গুৰুত্ব দিব বুলি আশা ৰাখিলো। আৰু ইয়াৰ কাৰণে চৰকাৰে বিশেষ ভাবে তৎপৰ হব বুলি আশা কৰিলো আৰু ৰাজ্যখনৰ কোন কোন ঠাইত বেচিকৈ কেচা-মালৰ সম্পদ পাবপৰা যায় সেই ঠাইত এই শিল্পসমূহ প্ৰতিস্থা কৰিবলৈ সেই বিষয়ে ভালদৰে পৰীক্ষা চলাই এনেবোৰ শিল্প প্ৰতিস্থা কৰাত জোৰ দিব বুলি মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো। কিন্তু কাৰ্যতঃ কি দেখিছো আমাৰ ৰাজ্যত বৃহৎ আৰু ক্ষুদ্ৰ শিল্প প্ৰতিস্থা কৰাৰ ক্ষেত্ৰত কোনো ন্যায় সংগত ব্যৱস্থা অৱলম্বন কৰা নাই।

অধ্যক্ষ মহোদয়, আজিকোপতি আমাৰ ৰাইজে শিল্প ক্ষেত্ৰৰ কিছুমান দিশত অসুবিধা পাই আছে। আমাৰ অসমৰ ৰেচম শিল্প পৃথিবীৰ ভিতৰতে বিখ্যাত আৰু ইয়াৰ মূল্য অসাধাৰণ কিন্তু ই চৰকাৰৰ পৰা অৱহেলিত হয়ে আহিছে। প্ৰমাণ স্বৰূপে কব খোজো যে আমাৰ লক্ষীমপুৰ জিলাৰ ঢকুৱাখানা, ঘিলামৰা বৰদলনি আৰু লক্ষীমপুৰ মহকুমাৰ আন কিছুমান অঞ্চল এৰি মূগাৰ কাৰণে বিখ্যাত। কিন্তু এই এৰি-মূগাৰ কাৰণে যিমান খিনি যত্ন লব লাগে বা লোৱাৰ প্ৰয়োজন সিমান খিনি যত্ন অসম চৰকাৰে লোৱা নাই। আনহাতে ইয়াৰ স্থান পৃথিবীৰ ভিতৰতে প্ৰধান। উদাহৰন স্বৰূপে মই নিৰিজিমৰ কথা কব খোজো যে মিৰিজিমৰ নিচিনা মূল্যৱান বস্তু পৃথিবীৰ কতো নাই। ইয়াৰ কাৰণে পৃথিবীৰ

সকলো দেশৰ পৰা দাবী আছে। কিন্তু এই শিল্পবো কোনো উন্নতি কৰিবলৈ আমাৰ চৰকাৰে আজিপৰিমিত কোনো ব্যৱস্থা লোৱা নাই। মই আশা কৰো আমাৰ গ্ৰামাঞ্চলৰ শিল্প বিলাক পুনৰ উদ্ধাৰ কৰি চৰকাৰী খণ্ডত আৰু বেচকাৰী খণ্ডত শিল্পৰ উন্নতি সাধন কৰি অসমৰ অৰ্থনৈতিক অৱস্থাৰ উন্নতি সাধন কৰিব।

( সময়ৰ সংকেত )

দ্বিতীয়তে শিল্প উদ্যোগ প্ৰতিষ্ঠা কৰাৰ সম্পৰ্কত লক্ষীমপুৰ জিলাৰ জন-সাধাৰণে বহুত দিন ধৰি দাবী জনাই আহিছে, লক্ষীমপুৰ জিলাত এটা কাগজৰ কল স্থাপনৰ কাৰণে। এই ক্ষেত্ৰত জনসাধাৰণে বহুবাৰ দাবী জনাই আহিছে, দাবী কৰি থাকিব। মই জনাত চৰকাৰে কিন্তু এই ক্ষেত্ৰত কোনো গুৰুত্ব আৰোপ কৰা নাই মই আশা কৰিছো যে চৰকাৰে নতুনকৈ কাগজৰ কল স্থাপন কৰিবলৈ হলে লক্ষীম-পুৰ জিলাতি প্ৰতিষ্ঠা কৰিবলৈ ব্যৱস্থা কৰিব যেন। ইয়াকে কৈ মোৰ বক্তব্য সামৰণি মাৰিলো।

শ্ৰীসোনেশ্বৰ বৰা : মাননীয় অধ্যক্ষ মহোদয়, কৰ্তন প্ৰস্তাৱ মই সমৰ্থন কৰিছো উদ্যোগিক বিকাশ নহলে এখন দেশৰ সামৰ্থ্য বৃদ্ধি নহয় সেই কথাত কাৰো দ্বিমত নাই। কিন্তু আমাৰ বৰ্ত্তমান চৰকাৰে উদ্যোগ কেনেকৈ কৰিছে সেইটো এটা চাবলগীয়া কথা। কেইখনমান লাইচেন্স দি বা কেইজনমান উদ্যোগপতিৰ পৰা ধন লৈ চৰকাৰী গাদীত বহিবৰ অধিকাৰ অৰ্জন কৰাকে উদ্যোগ নোবোলে। উদ্যোগ পতিক হাতত ৰাখি আমাৰ শাসক দলে হয়তো তেখেতসকলৰ মন্ত্ৰীত্ব বা কিছুমানে এম-এল-য়েও হব পৰা ব্যৱস্থা কৰিছে। তাতকৈ বেছি একো কৰিব পৰা নাই এইটোও এটা উদ্যোগেই অৱশ্যে। উদ্যোগৰ কেইটামান নমুনা মাত্ৰ ইয়াত দিব খুজিছো। ইন্দিৰা গান্ধীৰ নামত ডান্‌কান কোম্পানীৰ জেনেৰেল মেনেজাৰ মিঃ বি পি গোয়েংকাই পাঁচ লাখ টকাৰ মূল্যৰ আঠ লাখ কেইবাটাও ৰঙৰ চাৰি-বিধ ডাঙৰ পষ্টাৰ চপাই দিছে। এইখন ইন্দিৰা গান্ধী পষ্টাৰৰ ফটোকাপি

অধ্যক্ষ : সেইটো পাৰ্লিয়ামেণ্টত আলোচনা হৈ গৈছে।

শ্ৰীসোনেশ্বৰ বৰা : চালিমাৰ কোম্পানীয়ে ১৪ লাখ ৮২ হাজাৰ টকাত সাজি দিয়া শিলঘাট মৰাপাট কলটোত এতিয়া পানী পৰে। কেতিয়াবা বিজুলি বাতিৰ বিজুতি আৰু কেতিয়াবা পানী পৰাৰ কাৰণে মৰাপাট কলৰ ১৫০ খন তাঁতশালৰ ৬০ খনো নচলে। মৰাপাট কলৰ কামৰ কাৰণে ৫৫ হেজাৰ টকাত কিনা লিলেন গাড়ী খনৰ মেৰামতি কামতে ৯৫ হেজাৰ টকা খৰচ হল। আগৰ সমবায় মন্ত্ৰী শ্ৰীটৈৰণে এটা প্ৰশ্নৰ উত্তৰত আগৰ বিধান সভাত কৈছিল। এইয়াই চৰকাৰী উদ্যোগৰ

নমুনা। ইয়াৰ পিচত পেৰাফিন ওৱাক্সৰ বিষয়ে অল্প বহলাই কব খুজিছো। আগতে মাননীয় সদস্য কেইবা গৰাকীয়েও এই বিষয়ত অলপ অচৰপ কৈছে। পেট্ৰলিয়ামৰ পৰা কেৰাচিন হয়। কেৰাচিন তেল পৰিষ্কাৰ কৰোতে ৰেচিডিউ নামৰ পদাৰ্থ পোৱা যায়। ৰেচিডিউক ৩০০° ডিগ্ৰী তপত কৰি লুব্ৰিকেটিং অইল আৰু পেৰাফিন ৱাকছ পোৱা যায়। প্ৰায় ৩ ডিগ্ৰী পৰ্য্যন্ত ঠাণ্ডা কৰিলে পেৰাফিন ৱাকছ লুব্ৰিকেন্টিংৰ পৰা পৃথক কৰা হয়। এই পেৰাফিনৰ ৱাকছৰ পৰা মমবাতি, নেইল পালিচ, লিপষ্টিক, স্পিছিয়েল পালিছ, চিলিং ৱাক্স, ওৱাক্স পেপাৰ, কাপোৰৰ ৰুলত দিয়া মাৰ, টিৰপাল, টফ্ৰ, কাৰ্বন পেপাৰত ব্যৱহাৰ, হাৰাই চেণ্ডেল তৈয়াৰ কৰা কামত, জুইছলা খাৰত লাগে আৰু প্লাইউদ কাৰখানাত ব্যৱহাৰ হোৱাৰ উপৰিও বহুত ৰাসায়নিক দ্ৰব্যত ইয়াক মিহলোৱা হয়। এই পেৰাফিন বস্তুটো অসম তেল কোম্পানীত মাত্ৰ তৈয়াৰ হয়। আৰু অসমৰ তেল কোম্পানীত তৈয়াৰ হোৱা এই পেৰাফিন পৃথিবীৰ ভিতৰতে উৎকৃষ্ট বুলি জনাজাত। গুৱাহাটী শোধানাগাৰত কিন্তু ইয়াক তৈয়াৰ কৰা নহয়। কিয়নো যিখিনি পেৰাফিন ওৱাক্স ওলাল্হেতেন সেইখিনি পেট্ৰলিয়াম কুকৰ পৰা পৃথক নকৰি ইণ্ডিয়া কাৰ্ব্বন কোম্পানীক বিনামূলীয়াকৈ দিয়া হৈছে। অসমত প্ৰায় পাচশ টা মমবাতি কৰা অনুস্থান আছে বুলি উদ্যোগ বিভাগৰ ৰেজিষ্টাৰত পোৱা যায়। কিন্তু আচলতে হিচাব কৰিলে দেখা যায় যে মাত্ৰ ১৫-২০ টা মানহে মমবাতি তৈয়াৰ কৰা কাৰখানা আচলতে আছে। কেৱল ৰেজিষ্টাৰ কৰা এই প্ৰতিষ্ঠান বিলাকে পেৰাফিনৰ পাৰমিট লৈ গোটেই বোম্বেই চোৰাং বেপাৰ কৰে। ৰেজিষ্টাৰ মতে থকা প্ৰতিস্থান হল ঃ ভাৰত কেণ্ডেল ওৱাৰ্কছ, মড়াৰ্ণ কেণ্ডেল ওৱাৰ্কছ, অসম হুম ইণ্ডাষ্ট্ৰিজ, অসম কেণ্ডেল মেনুফেক্চাৰিং কোম্পানী, কে প্ৰি ইণ্ডাষ্ট্ৰিজ, গুৱাহাটী কেণ্ডেলছ, অসম কেণ্ডেলছ আৰু আগৰৱালা কেণ্ডেলছ ইত্যাদি। ইয়াৰ বাহিৰেও ৰেজিষ্টাৰ হোৱা পাইওনিয়াৰ কেণ্ডেল ওৱাৰ্কছ, ৰংঘৰ চপ খানা, অসম ওৱাক্স পেপাৰ মেনুফেক্চাৰিং কোম্পানী, ইউনাইটেড কেণ্ডেলছ, বি-ডি-চৌধুৰী এণ্ড কোম্পানী, উদয়ন লেব্ৰিকেটৰছ, লোহিত ফ্ৰন্টিয়াৰ ইণ্ডাষ্ট্ৰিজ, প্ৰাগজ্যোতিষ কেণ্ডেল, দাম কেণ্ডেল আদি পাৱত গজা অনুস্থান বোৰ ক'ত আছে ?- এই চাইন বোৰ্ড প্ৰতিস্থান বোৰক বছৰি ৫০ টনৰ পৰা ২৫০ টনলৈ পেৰাফিনৰ পাৰমিট দিয়া হৈছে অথচ এই পেৰাফিনৰ দাম প্ৰতি টনত অসমত আগতে আছিল চৈধ্যশ এতিয়া টেক্স আদি লগাই উনৈশ কৰিছে কিন্তু অসমৰ বাহিৰত ইয়াৰ দাম প্ৰতি টনত চাৰি হাজাৰ টকা। এই পেৰাফিনৰে চোৰাং বজাৰ কৰি অসম পেপাৰ ওৱাক্স মেনুফেক্চাৰিং কোম্পানী, ৰংঘৰ চপখানা

আৰু ইউনাইটেড কেণ্ডেলচ্‌ৰ মালিকজনে যোৱা বছৰেই ২৫০ টন পেৰাফিনৰ ধনেৰে দুখন নতুন মটৰ গাড়ী কিনিছে আৰু লাচিত নগৰত দুই লাখ টকাৰ এটা ঘৰ সাজিছে। পাওনিয়াৰ কেণ্ডেল ওৱাক্সটো ক'ত আছে কোনেও গম নাপায়। এওঁলোকে যোৱা বছৰ এশ টন ওৱাক্সৰ পাৰমিট পাইছে। এইবিলাকৰ পৰা বিক্ৰী কৰ বা আয়কৰ আদি এতিয়াও চৰকৰে পোৱা নাই। এই পাৰমিট পোৱা সকলৰ ভিতৰতে শ্ৰীভবেন চৌধুৰীয়ে এশ টন ওৱাক্স চোৰাং কৈ বিক্ৰী কৰি সেই ধনেৰে সজা ঘৰটো বৰ্ত্তমান ইণ্ডিয়া এয়াৰ লাইনচে প্ৰতি মাহে পাচ হাজাৰ টকাত ভাৰালৈ লৈছে। এই বিলাক ঘৰ গুৱাহাটীলৈ যোৱা বা সেই ঠাইত ঘূৰি অহা লোকে নিশ্চয় দেখিব পায়। আকৌ বি-ডি চৌধুৰী নামৰ এটা ভূৱা প্ৰতিষ্ঠানক যোৱা বছৰ ষাঠি টন ওৱাক্সৰ পাৰমিট দিছে। প্ৰাগজ্যোতিষ কেণ্ডেল আৰু চকমাটি কাৰখানা, আজৰা, এওঁলোককো যোৱা জানুৱাৰী মাহত ৭০ টন ওৱাক্স দিয়া হৈছে। কিন্তু কাৰখানা আছে নে?

অধ্যক্ষ মহোদয়, এনেকৈয়ে আগ্ৰৱালা কেণ্ডেল ওৱাক্স তিনিচুকীয়া আৰু অসম মেনুফেকচাৰিং কোং গুৱাহাটী এই দুয়োটা প্ৰতিষ্ঠানক বছৰি দুহাজাৰ টনকৈ পেৰাফিন ওৱাক্সৰ পাৰমিট দিয়া হয়। ইয়াৰোপৰি গুৱাহাটীৰ ভাউৰীলাল চেৰা-উগী নামৰ প্ৰতিষ্ঠান এটাক ১০০ টন মান কামত খটুৱাবৰ কাৰণে ওৱাক্স দিয়া হৈছে। কিন্তু তাত ১০০ টন কামত লগাবলৈ যন্ত্ৰপাতিয়েই নাই। মাত্ৰ ১০ টন মান কামত লগাব পৰাকৈহে যন্ত্ৰপাতি আছে। অসমত যিবিলাকে পেৰাফিনৰ পাৰমিট লৈছে সেইবিলাকে এই পেৰাফিন অসমৰ বাহিৰত, ভাৰতৰ বাহিৰত চোৰাং কৈ বেছি দামত বিক্ৰি কৰিছে মাত্ৰ।

অধ্যক্ষ মহোদয়, এইদৰেই তেজপুৰত দাস চপ ফেক্টৰীক ১২০ টন, প্ৰেম চপ ফেক্টৰীক ৭০ টন, কমলা বিস্কুট ফেক্টৰীক ১২০ টন আৰু হনুমান চপ এন্দ কেণ্ডেল ওৱাৰ্কচ, গৌৰীপুৰক ৭৫ টন কি কাৰণে দিয়া হৈছে? তাত কোনো কাৰখানাৰ যন্ত্ৰপাতিয়েই নাই। আনহাতেদি গুৱাহাটীৰ বিনয় কুমাৰ এণ্ড কোম্পানী নামৰ এটা ভুৱা প্ৰতিষ্ঠানে বছৰি ৩০।৪০ টনকৈ ওৱাক্সৰ পাৰমিট পায়। ইয়াৰ ওপৰিও মদাৰ্ণ কেণ্ডেল ওৱাক্স, মালিগাও এই অনুস্থানটোৰ মেচিনৰ কৰ্ম্মক্ষমতা ১০ টনৰ বেছি নহয় কিন্তু বছৰি ৫২ টনৰ পৰা ১০০ টনলৈ পাৰমিট দিয়া হয়। এইদৰেই এই অনুস্থানবোৰক পাৰমিট দিয়াত বস্তুবিলাক চোৰাং হৈ গৈ থাকে।

অধ্যক্ষ মহোদয়, শেষত মই কুটিৰ শিল্পৰ বিষয়ে এটা কথা কৈ সামৰণি মাৰিম। কাৰণ কুটিৰ শিল্প মই ভাল পাওঁ। মই গাত লৈ অহা কাপোৰ, মোৰ

পিন্ধা পঞ্জাপীটো, ডিঙিৰ গামোচাখন ঘৰতে বৈ লোৱা বস্তু। গতিকে মই কুটিৰ শিল্পক ভাল পাওঁ। আমাৰ সমবায় বিভাগ পৰিচালনাৰ আগতে তাঁত শিল্প উন্নয়নৰ আঁচনি এখন আছিল। তাঁত শিল্প উন্নয়ন আঁচনিৰ এটা শাখা গুৱাহাটীত আছে। গুৱাহাটীতে তাঁতৰ সজুলী ৰখা বাবদ এটা ভাৰা ঘৰ আছে। আৰু এই ভাৰা ঘৰটোৰ বাবে চৰকাৰে মাহে ২৫০ টকাকৈ বছৰি প্ৰায় তিনিহাজাৰ টকা ভাৰা দিব লগা হয়। এই ভৰাঁল ঘৰটোত বৰ্ত্তমান ভগাছিগা কামত নহা কেইটামান সজুলীৰ বাহিৰে একো নাই। আনহাতে আজিকালি তাঁত শিল্প অনুদান সমিতিবিলাক বন্ধ কৰি দিয়া হৈছে আৰু তাৰ পৰিবৰ্ত্তে তাঁতশাল কিনিবলৈ টকা দিয়া হৈছে। কিয় এই ঘৰটোৰ ভাৰা দি আছে? গুৱাহাটীতে আন এটা ঘৰত নষ্ট বুলি বিবেচিত হোৱা কিছুমান 'জেকাৰ্ড লুম' আৰু পাৱাৰ লুম ৰখা হৈছে। এই কমিত নহা বস্তু বিলাক ৰাখি বছৰেকত প্ৰায় ৩৬০০ টকা ভাৰা দিবলগা হৈছে। এই সজুলিবোৰ কিনোতেই ব্যৱহাৰৰ অযোগ্য আছিল। আৰু সেইবোৰ কিনাৰ পৰা আজিলৈকে একেটা ভৰাঁল ঘৰতেই পৰি আছে। সজুলিবোৰ কিনোতেই কিয় ব্যৱহাৰৰ অযোগ্য আছিল আৰু সেইবোৰ যিজন বিভাগীয় বিষয়াই বস্তুবোৰ কিনিছিল তেওঁ কিয় বেয়া বস্তু কিনিছিল তাৰ বিচাৰ আজিলৈকে কৰা হলনে? সেই বিষয়াজনক তেনে কাৰ্য্যৰ বাবে কিয় শাস্তি বিধান কৰা নহল?

অধ্যক্ষ মহোদয়, এইখিনিতে মই এটা কথা কব খুজিছো যে, আমাৰ অসমৰ সৰহ ভাগ মানুহে টিনপাতৰ ঘৰ লবলৈ বিচাৰিছে। আনহাতে আমাৰ ইয়াত টিনপাতৰ কাৰখানা নাই। আৰু টিনপাতৰ প্ৰয়োজন আমাৰ দেশত বৰ্ত্তমান অৱস্থাত অত্যন্ত বেছি। অসমৰ তেল যদি বিহাৰলৈ নি তাত শোধনাগাৰ পাতিব পাৰে তেনেহলে অসমলৈও অন্য প্ৰদেশ যেনে উৰিষ্যা আদিৰ পৰা লো আনি আমাৰ অসমত টিনপাত তৈয়াৰ কৰা কাৰখানা এটা নিশ্চয় প্ৰতিস্থা কৰিব পাৰিব। ইয়াকে কৈ মোৰ বক্তব্য সামৰিলো।

আবুল হুচেইন মীৰ : মাননীয় চেয়াৰমেন মহোদয়, আজি ২৫ বছৰৰ পিচত দেশ স্বাধীনতাৰ বাবত চিলভাৰ জুবিলী পতাৰ বাবে আয়োজন কৰিছো। এই ২৫ বছৰৰ ভিতৰত বহু চাৰ্ভে হল। এই বিষয়ত মই উল্লেখ কৰিব খুজিছো -অসমৰ ১৯৬২ চনত টেকনো-ইকনমিক চাৰ্ভেয়ে ভাৰতৰ জাতিয় এপ্লাইড ইকনমিক কাউন্সিলৰ তত্ত্বৱধানত হোৱা প্ৰতিবেদন খনত দিয়ামতে নেচনেল ইনকাম আশা কৰিছিল শতকৰা ২.২ এগেইনষ্ট শতকৰা ৩। এই বছৰ নেচনেল ৰিচৰচৰ ওপৰত নিৰ্ভৰ কৰি ইণ্ডাষ্ট্ৰি কৰাৰ কথা কৈছে। সেইটোত চাকচেচ হব জানো? প্ৰাইভেত আৰু পাব্লিক

চেক্তৰত ইণ্ডাষ্ট্রি হৈছে। সেই বিলাকত চচিয়েলিষ্টিক মনোভাৱ লব লাগিছিল। এইটো আমাৰ ষ্টেণ্ডাৰ্ড অব লিভিংলৈ চাই নেচনেল ইনকামটো প্রকৃততে চচিয়েলিষ্টিক হব নে? ডাঙৰ ডাঙৰ কাৰখানা স্থাপন কৰি জাতিয় আয় বঢ়াই দেখুৱালেই সাধাৰণ মানুহৰ জীৱন ধাৰণৰ মান (Standard of living) বাঢ়িব নে? প্রকৃততে সাধাৰন মানুহৰ জীৱন ধাৰণৰ মান সমান ভাবে উন্নতি হব, যদিহে সকলো থলোৱা (Local) মানুহে সমান ভাবে সুযোগ সুবিধা ভোগ কৰিব পাৰে। অন্যথায় সমাজবাদৰ প্রকৃত ধাৰণাৰ মূলত সুফল নহব। গতিকে এই ইনডাষ্ট্রি হলেও তাৰ প্রতি আমাৰ থলুৱা লোকৰ প্রতি চচিয়েলিষ্টিক মনোভাৱ দেখুৱা হবনে? মই সেইটো নিবিচাৰো যে, ডাঙৰ ডাঙৰ কাৰখানা মূলত সুফল নহব। গতিকে যিবিলাক শিল্প হৈছে তাত থলুৱা লোকৰ স্থান নাই। ইয়াত চচিয়েলিষ্টিক মনোভাৱ কেনেকৈ ৰূপায়ন হব? যদিহে এইবিলাকত আঞ্চলিক বৈষম্যতা থাকে তেন্তে অসমৰ থলোৱা লোকৰ কেনেকৈ উন্নয়ন হব? আঞ্চলিক বৈষ্যমতা দূৰ কৰাৰ বাবত উদ্যোগ মন্ত্রীৰও চৰকাৰৰ গোকা দৃষ্টি আৰ্কষন কৰিলো। গতিকে আমাৰ অসমত যিবিলাক শিল্প হৈছে সেইবিলাকত থলুৱা মানুহ টেকনিকেল নোহোৱা কাৰণে বুলি অজুহাত দেখুৱাই থলুৱা লোকক নিয়োগ কৰিব পৰা নাই। অসমত যি ইণ্ডাষ্ট্রিয়েল স্মল স্কেল কৰপৰেচন হৈছে তাত ৰিটাইয়াৰ কৰা কেইজনমান লোকক নিয়োগ কৰা হৈছে। তেওলোকৰ দৰমহাৰ বাবে প্রায় ১০।১১ হাজাৰ টকা খৰচ হয়। গতিকে এইটো পেঞ্চনাৰ সকলৰ কাৰণে সুবিধা দিয়া বুলি অনুমান হয়। গতিকে এই কৰপৰেচন পুনৰ সংগঠন কৰিব লাগে। আৰু ইয়াত থলুৱা কাৰিকৰী বিদ্যাৰ অভিজ্ঞতাপূৰ্ণ ডেকা থলুৱা মানুহ নিয়োগ কৰি বেতন দিয়াৰ ব্যৱস্থা কৰিব লাগে। গতিকে দেখা গৈছে যে, এইটো ৰিটায়াৰ লোকসকলৰ ৰেষ্ট কেম্প। ভাৰতৰ জাতীয় মাৰ্কেটিং কৰপোৰেচন বিভাগে আগ্রাৰ ক্ষুদ্র শিল্প জোতা তৈয়াৰী কাৰখানা বিলাকক, আগ্রাতো জোতা কাৰখানাত জোতা সংৰক্ষন কৰিবৰ কাৰণে ভাৰত চৰকাৰে প্রটেক্চন দিছে। ভাৰতৰ জাতীয়নিগমে আগ্রাত বহুতো মাৰ্কেটিং, ডিপু খুলি তাত তৈয়াৰী জোতা কিনি ক্ষুদ্র শিল্প ব্যৱসায়ীসকলক মাৰ্কেটিং নিগমে এটি লাভবান অৱস্থালৈ নিছে। গতিকে অসমতো তেনেধৰণৰ ব্যৱস্থা কৰিব্ লাগে। আমাৰ দেশত বহুতো বনজ সম্পদ আছে। সেইবিলাক ভালদৰে ব্যৱহাৰ কৰিব পাৰিলে তাৰ পৰা বহুতো আয় হব। কিন্তু সেইবোৰৰ পৰা তৈয়াৰী প্লাইউড, ৰস্তু বাহিৰত বিক্রি হোৱাৰ কাৰণে আমি চেলটেক্স আদিও নাপাও।

অসমত প্রাইভেটচেক্তৰেই হও বা পাবলিক চেক্তৰেই হওক উদ্যোগ মন্ত্রী ডাঙৰীয়াই

উদ্যোগ দিবলৈ চেষ্টা কৰিব লাগে। মৰাপাট অসমৰ কেচা মেটেৰিয়েল, গতিকে মৰাপাটৰ কলৰ কাৰণে বিশেষকৈ সুবিধা আছে। আজি ১ মিলিয়ন জুট বেগ অসমৰ পৰা কলিকতালৈ যায়। গতিকে অনায়াসে অসমত ১০।২০ টা মৰাপাটৰ কল হব পাৰে। কিন্তু আজি কেন্দ্ৰীয় চৰকাৰে এই বিলাকৰ লাইচেন্স দিয়ে। অসমৰ পৰা কেচা মৰাপাট কলিকতালৈ যায়, কলিকতাৰ পৰা লাখ লাখ বস্তা তৈয়াৰ হোৱা, খাদ্য নিগমে, অসম এপেক্স মাৰ্কেটিং সমবায়ে, চেৰাপুঞ্জি বিলাতি মাটি কাৰখানা ও খোলাঘাটত সমবায় চিনি কল, চিমেণ্ট কাৰখানাই কিনি লৈ আছে। গতিকে অসম চৰকাৰে যদি এইবিলাকৰ দায়িত্ব নলয় তেনেহলে অসমৰ উদ্যোগৰ প্ৰশাসনত উন্নতি হব নোৱাৰে। অসমত বিশেষকৈ প্লাইউদ ফেক্টৰী প্ৰতিস্থা কৰাৰ যথেষ্ঠ থল আছে। অসমৰে কেচঁামাল বিলাক বাহিৰলৈ যায় আৰু সেইবিলাক আমাৰ এপেক্স মাৰকেটিং নিগনে কিনি নলয়। আমাৰ অসমত যিবোৰ ক্ষুদ্ৰ শিল্প আছে তেওলোকে ক্ষুদ্ৰ তহবিল বা মূলধন হেতুকে সস্তাত বস্তু কিনি ভাল বজাৰত তৈয়াৰী হোৱা বস্তুবোৰ বিক্ৰি কৰিবৰ ব্যৱস্থা নথকাত চৰকাৰে মাৰ্কেটিং নিগম খুলি তেওঁলোকৰ ক্ষুদ্ৰ শিল্প কাৰখানাত তৈয়াৰী বস্তুবোৰ ভাল বজাৰত বিক্ৰিৰ জালিচাৰি বাবে চৰকাৰৰ চোকা দৃষ্টি আৰ্কষন কৰিলো। আৰু কবলৈ বহুত থাকিল যদিও সময় কম হোৱাৰ কাৰণে উদ্যোগৰ উন্নতি কামনা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীকবিৰ ৰায় প্ৰধানী : এই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি মই দুআষাৰ মান কবলৈ বিচাৰিছো। আজি স্বাধীনতা লাভ কৰা ২৫ বছৰ হৈ গ'ল কিন্তু শিল্প আন্দোলনত আমি এতিয়াও আগবাঢ়িব পৰা নাই। আজি কৃষিজাত দ্ৰব্য বা আন কেচামালেই হওক অসমত উদ্যোগ নকৰি অসম চৰকাৰে বাহিৰলৈ পঠিয়াইছে। আজি ২৫ বছৰে ইয়াকেই দেখি আহিছো। ইমান দিন মনে মনে বহি আছিলো কিন্তু ইয়াৰ প্ৰতি এতিয়া চোকা দৃষ্টি নিক্ষেপ কৰিছো। সেই হেতুকে চৰকাৰক দাবী জনাইছো যে উদ্যোগৰ এটা ভাল উন্নত ব্যৱস্থা লব লাগে। ২৫ বছৰে বিধান সভাত চিঞঁৰ বাখৰ কৰি উদ্যোগৰ উন্নতি হব লাগে বুলি বৈপ্লবিক আন্দোলন কৰি আহিছো। কিন্তু তাৰ পৰা জানো উদ্যোগ প্ৰতিস্থিত হৈছে? এই দুখীয়া অন্যৰ কথা নকও খেতিয়ক সকলৰ কথাই কৈছো, তেওঁলোককেই বা সান্তনা দিছে কোনে? আজি অসমত যথেষ্ট মৰাপাট পোৱা যায় কিন্তু সেই বিলাক বাহিৰলৈ পঠোৱা হয় কিন্তু তাকে নকৰি যদি অসমতেই মৰাপাটৰ কল পাতিলেহেতেন আমাৰ নিবনুৱা সমস্যা সমাধান হ'লহেতেন কিন্তু যিবিলাকে মৰাপাটৰ খেতি

কৰিছে সেইবিলাকে মৰাপাটৰ বস্তানো কেনেকৈ কৰে সেইটোয়েই দেখা নাই। মন্ত্ৰী সকলে হয়তো এইবিলাক একো অনুভৱ কৰিব নোৱাৰে মন্ত্ৰী সকলৰ চকুত সৰু ইণ্ডাষ্ট্ৰি নপৰেই তেওঁলোকে ইকনমিক বেচিচত ইণ্ডাষ্ট্ৰি নকৰি নামক লৈহে ইণ্ডাষ্টি কৰিব খোজে। মই ডাঙৰ উদ্যেগৰ কথা নকও এই যে সৰু সুৰা আঞ্জাত দিয়া মছলা এইবিলাকো বাহিৰৰ পৰাহে আহে। মই ভাবো এইবিলাকো একোটা ইণ্ডাষ্ট্ৰি। এইবিলাকো বোম্বেৰ পৰা আনিব লগা হৈছে।

এতিয়া টি, ইণ্ডাষ্ট্ৰি কথাই কও এই ইণ্ডাষ্ট্ৰি বিলাক প্ৰায় বিলাকেই বাহিৰৰ মানুহৰ হাতত। আৰু এইযে সৰু সৰু পেট্ৰোল পাম্প বিলাক আছে যিবিলাক সেইবিলাক থলুৱা মানুহৰ নহয় গতিকে এইটো স্বাভাৱিক যে তাৰ কৰ্ম্মচাৰীজন বাহিৰৰেই হব। অসমত যিমানবিলাক উদ্যোগ আছে সেই আটাইবিলাক বাহিৰৰ মানুহৰ হাতত। গতিকে স্বাভাৱিকতে বাহিৰৰ মানুহৰহে নিবনুৱা সমস্যা সমাধান হব অসমৰ নহয়। আজি ২৫ বছৰে ধৈৰ্য্য ধৰি আহিছো। এতিয়া আৰু তাৰ সময় নাই। আজি সকলো বিলাক ডেকাই বিএ, এমএ আদি পাছ কৰি একো নকৰাকৈ যেতিয়া বহি থাকিবলগা হৈছে, তেওঁলোকেও অসম চৰকাৰৰ ব্যৱস্থা নকৰাকৈ নাথাকে। যেনেকৈ চাকী এটা নুমুৱাৰ আগতে অলপ বেচিকৈ জ্বলি উঠে থিক তেনেকৈ অসম চৰকাৰকো সময় দিয়া হৈছে উন্নতিৰ পথত আগঢ়িবলৈ।

( সময়ৰ সংকেত )

মই আৰু বেচি নকও মাত্ৰ এটা পইন্ট এই যে সৰুসুৰা ফেক্টৰী যেনেঃ প্লাইউদ ফেক্টৰী, বিড়ী ফেক্টৰী আদিও বাহিৰা মানুহৰেই হাতত। এইবোৰ দেখোন অসমীয়াৰ ফেক্টৰী কৰিব পাৰে। জুটমিলৰতো কথাই নাই ১৫।২০ টা মিল হলেও আমি চলাব পৰো যিহেতুকে লাখ লাখ জুটৰ গাঠ বাহিৰলৈ পঠিযায়। গতিকে মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰো যে শিল্প উদ্যোগৰ প্ৰতি বিশেষ চকু ৰাখে। উদ্যোগৰ বিশেষ উন্নতি আশাকৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

( At 3 07 P.M. Honble Speaker vacated the Chair and occupied by the Chairman )

শ্ৰীসন্তোস কুমাৰ ৰায়ঃ শ্ৰদ্ধেয় সভাপতি মহাশয়, আমাদের শিল্পমন্ত্রী মহোদয় বিভিন্ন ঘাতি মঞ্জুরীর জন্য যে বাজেট পেশ করেছেন, আমি তার সমর্থন করি। আজ শিল্প সম্বন্ধে প্রায় সকল সদস্যই এর বিরুদ্ধে বিশেষ ভাবে বলেছেন। ভারতের স্বাধীনতার পর এই অনগ্রসর আসাম প্রদেশে আমরা দেখেছিলাম, শিল্প বলতে ছিল শুধুমাত্র চা শিল্প ও তৈল শিল্প। স্বাধীনতার পর সকলে উৎসাহিত

হলেন যে আমাদের এই দেশকে কি ভাবে শিল্পে অগ্রসর করা যায়। সেজন্য আমরা শিল্পের দিকে নজর দিলাম। কিন্তু আজ আমরা দেখতে পাচ্ছি এবং এই বিধান সভায়ও শুনতে পাচ্ছি যে যারা এই আসাম প্রদেশে শিল্প গড়ার সুযোগ পেয়েছে তারা সব বাইরের লোক। আমাদের আসামের যারা নাকি অধিবাসী, যারা নাকি রাজ্যের প্রতিনিধি, যারা সরকারের কর্ম্মচারী রাজ্য পরিচালনা করছেন—অত্যন্ত দুঃখ হয়, তারাই সমালোচনা করছেন যে এই দেশের Industry করার সুযোগ যারা পেয়েছে তারা সবাই বাইরের লোক। আমি জিজ্ঞাসা করতে পারি কি, যে, যারা আসামের লোক তাদেরে সরকার থেকে শিল্প গড়ার জন্য কোন সুযোগ দেওয়া হয় নাই কেন? এখানে বিভিন্ন বক্তাগন এই সরকার গঠন হওয়ার পর সমস্ত শিল্প সম্বন্ধে জোর সমালোচনা করছেন। এটা অত্যন্ত দুঃখের কথা যে কোটি কোটি টাকা এই ভাবে খামখেয়ালী করে অপচয় করা হয়েছে, অথচ আমাদের আসামের জনসাধারনের শিল্পের দিক দিয়ে কোন রকম সুযোগ সুবিধা হয়েছে বলে আমরা দেখতে পাইনা। কাজেই আমার মনে হয় আমাদের এই বর্ত্তমান সরকারকে এই দিকে বিশেষ দৃষ্টি দিতে হবে। আর যে সমস্ত শিল্প সম্বন্ধে বিশেষ করে মাননীয় সদস্য ডাঃ রবীন গোস্বামী মহাশয় যে সমস্ত তথ্য প্রকাশ করে আমাদের সামনে এই বিধান সভায় তুলে ধরেছেন, আমি বিভাগীয় মন্ত্রী মহোদয়কে অনুরোধ করি যাতে তার একটি তদন্ত হয়। এই তদন্ত হলে দেখা যাবে এই গুলির মধ্যে কি কি রহস্য আছে। এবং এই তদন্তের Report এর উপরে নির্ভর করে কিছু ভবিষ্যত কর্ম্মপন্থাও নির্ধারন করা যাবে। এ ছাড়াও আমরা দেখছি যে যারা ছোট ছোট শিল্প গড়ার অজুহাতে যেমন, মোমের কারখানার জন্য perfin এর Licence নিয়ে অন্যায় ভাবে কাজে লাগিয়েছেন—এই সব বন্ধ করার একটা বিহিত ব্যবস্থা করতে হবে।

আজ এই অনগ্রসর অঞ্চলের জন্য ভারত সরকার যে সমস্ত সুযোগ সুবিধা দিয়েছে, যার প্রধান উদ্দেশ্য ছিল আসামের বেকার যুবকদের সমস্যা সমাধান করা-তার অপচয় করা হয়েছে, বেকার যুবকদের কোন সমস্যার সমাধান হয়েছে বলে আমি মনে করিনা।

আমি আমাদের শিল্পমন্ত্রী মহোদয়কে অনুরোধ করি যে ভবিষ্যতে যেন এই সব অপচয় না হয় সেই দিকে দৃষ্টি রেখে দেশকে শিল্পে সমৃদ্ধ করার জন্য এগিয়ে যান। তাছাড়া আমাদের বেকার যুবকদেরে কি ভাবে শিল্পের দিকে আকৃষ্ট করা যায় তার প্রতি লক্ষ্য রাখবেন। এতে হয়তো বেকারদের সমস্যার পূর্ণ সমাধান

হবেনা কিন্তু আংশিক নিশ্চই হবে। আর আমাদের মধ্যে, যারা বিধায়কগন আছেন, তাদের প্রতি আমার বিশেষ অনুরোধ, শুধুমাত্র সরকারী কর্ম্মচারীদের দোষারোপ না করে বা ব্যক্তিস্বার্থে কোন রকম সম্পর্ক না রেখে দেশের উন্নতি কল্পে কড়া নজর রাখেন। কাজেই যে সমস্ত অঞ্চলে যারা বিধান সভার সদস্য আছেন তারা যেন কোথায় কোথায় দূর্নীতি হচ্ছে তা সরকারে দৃষ্টি আকর্ষন করে তার বিহিত ব্যবস্থা করেন। দেশে শিল্প কি ভাবে পরিচালিত হচ্ছে তার প্রতি লক্ষ্য রাখা আমাদের একটি বিশেষ দায়িত্ব। আমাদেৰ দেখতে হবে perfin নিয়ে মোম হচ্ছে কি না, এলুমিনিয়াম নিয়ে তার প্রকৃত জিনির হচ্ছে কি না, বা তার অপচয় হলে তার বিহিত ব্যবস্থার জন্য সরকারের দৃষ্টি আর্কষন করা।

আমি বিভাগীয় মন্ত্রী মহোদয়কে অনুরোধ করি যে, আমাদের দেশে যে সমস্ত Raw Materials আছে, যার সম্বন্ধে মাননীয় সদস্যগন সুন্দর ভাবে বর্ণনা করেছেন, যেমন, পাটের কথা, যে, আমাদের আসামের সমস্ত পাট কলিকাতা চলে যাচ্ছে, কৃষকরা উপযুক্ত দাম পাচ্ছেনা, অথচ আমাদের প্রদেশে পাটকল হচ্ছেনা তার প্রতি বিশেষ দৃষ্টি রাখতে হবে। শুধু পাটই নয় বাঁশও কলকাতার কাগজের কলে চলে যাছে অথচ আমাদের প্রদেশে কাগজর কল হচ্ছেনা। আমার নির্ব্বাচন চক্রে প্রচুর পাটও বাঁশ আছে। আশাকরি সরকার এই সমস্ত Raw materials কে উপযুক্ত কাজে লাগিয়ে শিল্পের প্রতি আমাদের দেশের বেকার যুবকদেরে আকৃষ্ট করবেন। আমাদের মুখ্য মন্ত্রী মহাশয় তার বাজেট ভাষনেও বলেছিলেন যে ছোট ছোট Unit শিল্পের মাধ্যমে স্থাপন করে যুবকদেরে অনুপ্রাণিত করা হবে। আশাকৰি শিল্পমন্ত্রী মহোদয় এই কথার প্রতি বিশেষ লক্ষ্য রাখবেন। আমাদের দেশের তাঁত শিল্পের প্রতিও সরকার নজর দিলে জনসাধারণ বিশেষ উপকৃত হবে বলে আমার বিশ্বাস।

মহোদয় আমি এই বলে শেষ করছি যে, আগামী বিধান সভায় শিল্পের শুধুমাত্র অনগ্রসরতার কথাই আলোচনা না করে কিছু উন্নতি হয়েছে বলে আলোচনা করার আশা যেন করতে পাৰি।

* ডাঃকোমেশ্বৰ বৰা: মাননীয় চেয়াৰমেন মহোদয়, শিল্প বিভাগৰ মঞ্জুৰী দাবীৰ ওপৰত যি কৰ্ত্তন প্ৰস্তাব অনা হৈছে তাৰ সমৰ্থনত মই কেইটামান কথা কবলৈ আগবাঢ়িছো। আমাৰ অসম দেশ খন কৃষি প্ৰধান দেশ, তাৰ লগতে আমাৰ অসম দেশখন শিল্প প্ৰধান আৰু খনিজ প্ৰধান দেশ। কিন্তু আমাৰ অসমত

*Speech not corrected

ইমানবিলাক শিল্পৰ কাৰণে নানা তৰহৰ খনিজ বস্তু থকা স্বত্বেও সেই বিলাক ব্যৱহাৰ কৰি কামত খটোৱাৱ পৰা নাই। আমি স্বাধীনতা পোৱাৰ প্ৰায় ২৫ বছৰ হল। এই ২৫ বছৰৰ ভিতৰত আমাৰ এই শিল্পজাত আৰু খনিজাত বস্তুৰ পৰা আমি বিশেষ উপকৃত হব পৰা নাই। তৃতীয় পৰিকল্পনা পাৰ হৈ গল কিন্তু অসমত শিল্পানুষ্ঠান গঢ়ি তুলিবৰ কাৰণে চেষ্টা কৰিও আমাৰ চৰকাৰ বিফল হল। শিল্পৰ নামত লাখ লাখ টকা খৰচ কৰিলে, কোনো কোনো পুঁজী পতিয়ে সেইবোৰ টকা খালে আৰু তাৰ দ্বাৰা আমাৰ অসমবাসী হলে উপকৃত হব নোৱাৰিলে। এতিয়া ৪ৰ্থ পৰিকল্পনাটো যি বিলাক উদ্যোগ পাতিবৰ কাৰণে চেষ্টা কৰিছে সেইবিলাকো আধাৰ শিলা পতা আৰু ঠাইলৈ খোৱা কামোৱা কৰাতে শেষ হব। ৪ৰ্থ পৰিকল্পনা শেষ হোৱাৰ লগে লগে অসমত উদ্যোগ প্ৰতিষ্ঠা হোৱাৰো অন্ত পৰিব। এইধৰণে শিল্পায়ণৰ ক্ষেত্ৰত আমাৰ চৰকাৰে যিথিনি মনোভাৱ লৈছে সেইটো সঁচাকৈয়ে দুখলগা। অৱশ্যে সমবায় ভিত্তিত কেইটামান শিল্প গঢ়ি উঠি অসমৰ জনসাধাৰণ আৰু আমাৰ নিবনুৱা সমস্যা সমাধানত কিছু-পৰিমাণে সহায় কৰিছে যদিও তাৰ ভিতৰুৱা হিচাব পাতি আদিৰ সম্পৰ্কত [illegible] কৰিছে আৰু যি উদ্দেশ্যৰে এই বিলাক কৰা হৈছিল সেইটো সফলকাম হৈছেনে নাই সেইটো কব নোৱাৰি। নগাওঁৰ শিলঘাটত সমবায়ৰ ভিত্তিত হোৱা মৰাপাটৰ কলটোৱে কিছুপৰিমাণে আমাৰ নিবনুৱা সমস্যা সমাধানত সহায় কৰিছে যদিও তাৰু আমাৰ কিছু সুবিধা হৈছে যদিও তাৰ ভিতৰত লাভেই হৈছেনে লোকচানেই হৈছে সেইটো আমি নজানোঁ। দেৰগাওঁৰ সমবায় চেনিকলৰ অৱস্থাও সেই একেধৰণৰে। এইদৰে আমাৰ চৰকাৰে ইমান দিনে উদ্যোগীকৰণৰ ক্ষেত্ৰত যি ব্যৱস্থা কৰিছে আৰু যিমান কোটি কোটি টকা খৰছ কৰা হৈছে যদিও তাৰ দ্বাৰা আমাৰ মানুহ হলে উপকৃত হব পৰা নাই।

ক্ষুদ্ৰ শিল্পৰ ক্ষেত্ৰতো সেই একেই অৱস্থা। উদ্যোগ কৰিছে, আৰু টকাহে খৰছ কৰিছে কিন্তু কামত হলে একো কৰিব পৰা নাইকীয়া। এই বছৰ কুটিৰ শিল্পৰ শিতানত ১০ কোটি বেছি ধন খৰছ কৰাৰ সংকল্প লোৱা হৈছে যদিও তাৰ কাৰণে উন্নয়ণমূলক আঁচনি কেনেকুৱা ধৰণৰ হব সেইটো কোৱা টান। কিছু-মান কুটিৰ শিল্প যেনে বাহঁ-বেত আদিৰ কাম, সেইবিলাকৰ বজাৰ সৃষ্টিকৰাৰ কাৰণে আমাৰ চৰকাৰে একো ব্যৱস্থা কৰা নাইকীয়া। সাধাৰণতে আমাৰ চাহবাগানবোৰত যোগান ধৰিব পৰা তিনিবিধ কুটিৰ শিল্পজাত বস্তু যেনে- জাপি, কলম কটাৰী আৰুছাটি এই কেইটা বাগান বোৰত যোগানৰ ব্যৱস্থা কৰি তাৰ দ্বাৰা

আমাৰ কিছুমান নিবনুৱা ডেকাক কৰ্ম্ম-সংস্থান দিয়াৰ ব্যৱস্থা কৰিব পৰা নাইকীয়া। মুঠৰ ওপৰত আমাৰ চৰকাৰে উদ্যোগীকৰণ আৰু কুটিৰ শিল্পৰ উন্নয়ণৰ ক্ষেত্ৰত কোনো মনোযোগ দিয়া যেন নালাগে। অসম চৰকাৰে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰটোক এই ক্ষেত্ৰত মাহী আইৰ দৰে ব্যৱহাৰ কৰা যেন লাগে। বিশেষকৈ দৰং আৰু লক্ষীমপুৰ জিলাত এই কথাটো খাতে। এই দুখন জিলাত কোনো উদ্যোগ কৰিব বুলি চৰকাৰে এতিয়ালৈকে কোনো পৰিকল্পনা কৰিছে বুলি গম নেপালোঁ। যিটো মৰাপাটৰ কল মঙ্গলদৈত দিবৰ কাৰণে নানা দাবী আদি কৰি থকা হৈছে সেইটোৰ সুবিবেচনা কৰাৰ ক্ষেত্ৰত অসম চৰকাৰে মাহী আইৰ সাদৰহে কৰা যেন লাগে। এতিয়া সেইটো কিমান দূৰত হয়গৈ সেইটো সন্দেহৰ কথা হৈ পৰিছে। গতিকে চৰকাৰে যেন উদ্যোগ আদিৰ ক্ষেত্ৰত এই অৱহেলিত উত্তৰ পাৰটোৰ প্ৰতি সুবিবেচনাৰে দৃষ্টিপাত কৰে তাৰ কাৰণে মই আশা কৰিলো। এই খিনিতে অসম চৰকাৰ তথা ভাৰত চৰকাৰতকৈ চীনা চৰকাৰকহে বেছি ধন বাদ দিব পাৰি যে চীনে যদি আক্ৰমণ নকৰিলেহেতেঁন, তেতিয়াহলে আজিলৈকে এই উত্তৰ পাৰটো আন্দামান নিকোবৰ দৰে হৈ থাকিলহেতেঁন।

( সময়ৰ সংকেত )

এতিয়াও দুই এটা সৰু সৰু ইণ্ডাষ্ট্ৰি যেনে- চাৰিদুৱাৰ কটন মিল, বিহালীৰ ভিনিয়েৰ মিল আদি এই বিলাক পাতিছে যদিও প্ৰকৃত পক্ষে এই বিলাক কাৰ, কোনে কৰিছে সেই বিষয়ে সন্দেহ আছে। আমি শুনিবলৈ পোৱামতে তাত চৰকাৰেও সহায় কৰিছে। সেইটো কেনেকৈ চলিছে সেইটোৰ খবৰ ৰাখিব নোৱাৰি। কোনোবাই কোৱামতে সেইটো তিনিচুকিয়াৰ এজন পুঁজিপতিৰ মিল। উত্তৰ অঞ্চলৰ কাঠবোৰ পাবৰ কাৰণে বোলে তাত স্থাপন কৰিছে। ৩০।৪০ বছৰৰ পিছত সেইটো কৰ সোধোৱাৰ বিনিময়ত চৰকাৰৰ হাতত দিব। কিন্তু ইতিমধ্যেই তেওঁলোকে এই ৩০।৪০ বছৰ নেলাগেই, তাৰ কাঠ কাতি শেষ কৰাৰ উপক্ৰম কৰিছেই। যদি এনেকুৱাই ব্যৱস্থা হয় তেন্তে সেই মিলটোৰ পৰা ৰাইজৰ কিবা উপকাৰ হৈছেনে বা ভৱিষ্যতেও কিবা উপকাৰ আশা কৰিব পাৰিনে? অন্য হাতেদি উত্তৰ অসমত সমবায় ভিত্তিত এটা চেনীকল স্থাপন কৰা হৈছে। এই কলৰ খানচাৰী বিভাগে ইতিমধ্যে চেনী তৈয়াৰ কৰিবলৈ আৰম্ভ কৰিছে যদিও তাত হলে চেনী শুকুউৱাৰ কোনো ব্যৱস্থা নাই। ৰ'দত চেনী শুকাব লগা হৈছে। অন্য হাতেদি এই চেনী কলৰ ভিতৰত যি খেলি মেলি আৰু কেৰোন সোমাইছে তাৰ পৰা এইটো অনিশ্চিত হৈ পৰিছে যে এই চেনীকল ভৱিষ্যতে থাকেনে নেথাকে সন্দেহ। সেই কাৰণেই

মই আমাৰ সমবায় বিভাগৰ মন্ত্ৰী আৰু উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয় দ্বয়ৰ দৃষ্টি আকৰ্ষণ কৰিছোঁ। যাতে নতুনকৈ উঠি অহা এই চেনীকলটো যাতে অকালতে শেষ হৈ যাব নোৱাৰে তাৰ কাৰণে চকু দিয়ে। ইয়াকে কৈ মই মোৰ কবলগীয়া খিনিৰ সামৰণি মাৰিলো।

শ্ৰীমতী আনন্দী বালা ৰাভা: মাননীয় অধ্যক্ষ মহোদয়, মই এই কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধীতা কৰিছো আৰু আমাৰ উদ্যোগৰ সম্পৰ্কত কেইআষাৰমান কথা কবলৈ ইচ্ছা কৰিছো। এইটো কথা থিক যে আমাৰ দেশখন উদ্যোগৰ ক্ষেত্ৰত যথেষ্ট পিছপৰা হলেও আমাৰ চৰকাৰে উদ্যোগীকৰণৰ কাৰণে যথেষ্ট ব্যৱস্থা হাতত লোৱা আমি দেখিবলৈ পাইছো আৰু এই ক্ষেত্ৰত যথেষ্ট আগবাঢ়িও গৈছে। কিন্তু এই উদ্যোগৰ দ্বাৰা আমাৰ অসমত কোন লাভবান হৈছে? কিমান যুৱকক আমি তাৰ দ্বাৰা কৰ্ম্ম সংস্থান দিব পাৰিছোঁ বা কিমান ঠাইক আমি তাৰদ্বাৰা উন্নত কৰিব পাৰিছো—এই সকলো বিলাক কথা আজি চিন্তা কৰাৰ দৰ্কাৰ হৈ পৰিছে। এই বিষয়ে যদি আমাৰ চৰকাৰে গভীৰ ভাৱে চিন্তা নকৰে তেতিয়াহলে বিদেশৰ কিছুমান মুখ আমি সদায়েই পুহি ৰাখিব লাগিব আৰু আমাৰ প্ৰাকৃতিক সম্পদৰ ভৰাল উদং হৈ যাব, লগতে আমাৰ টকা-পইচা খিনিও অন্য দেশৰ মানুহক দি আমি বিদেশী মানুহকহে ধনী কৰি ৰখা হব। আমাৰ যুৱক-যুৱতী সকল নিবনুৱা হৈ পৰৰ ওচৰত ভিক্ষাৰী হৈ থাকিব লগা অৱস্থা হব। গতিকে মই উদ্যোগ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আৰ্কষণ কৰিছোঁ যে আমাৰ নিবনুৱা যুবক-যুৱতী সকলক অনতি-পলমে এই উদ্যোগ বিলাকত নিয়োজিত কৰাৰ ব্যৱস্থা কৰে যেন। তাৰোপৰি আমাৰ বৃহত উদ্যোগ বিলাকৰ লগত যি বিলাক সৰু সৰু উদ্যোগ গঢ়ি উঠিব পাৰে সেই বিলাকত যেন আমাৰ লোকসকল নিয়োজিত হব পাৰে আৰু সেই বিলাক চলাবলৈ যাতে উপযুক্ত কাৰিকৰী যোগ্যতা অৰ্জণ কৰিব পাৰে তাৰ কাৰণে আমাৰ উদ্যোগ মন্ত্ৰীয়ে যেন অতি সোনকালে প্ৰশিক্ষণৰ ব্যৱস্থা হাতত লয়।

তাৰ পিচত মই বৃহৎ উদ্যোগৰ সম্পৰ্কত বেছি নকৈ আমাৰ কুটিৰ শিল্পৰ ক্ষেত্ৰত কওঁ যে আমাৰ প্ৰদেশখন কুটিৰ শিল্পৰে ভৰপুৰ হৈ আছে। সেইবোৰৰ উন্নয়নৰ কাৰণে আমাৰ চৰকাৰে বিশেষ ভাৱে যত্ন লব লাগে। তাৰদ্বাৰা আমাৰ নিবনুৱা সমস্যা সমাধান হব। গতিকে চৰকাৰৰ ফালৰ পৰা আৰ্থিক সাহাৰ্য্য আদি দি হলেও আমাৰ নিবনুৱা যুৱক সকলক এই বিষয়ে উৎসাহ যোগাব লাগিব। ইয়াৰ দ্বাৰাই আমাৰ নিবনুৱা সমস্যা কিছুপৰিমাণে সমাধান হোৱাৰ ওপৰিও ই আমাৰ অৰ্থনৈতিক ভেটি টনকিয়াল কৰাটো সহায় কৰিব। তাৰ পিছত আমাৰ

তামোল, পান, আনাৰস আদিৰে কৃষিভিত্তিক কিছুমান উদ্যোগ কৰাৰ ব্যৱস্থা কৰিব পাৰিলে আমাৰ আৰ্থিক দিশত ইও এটা বিশেষ অৰিহনা যোগাব পাৰিব।

( সময়ৰ সংকেত )

তাৰ পিছত আমাৰ এৰি-মুগা আৰু পাট শিল্পৰ সম্পৰ্কত কওঁ যে ইয়াৰ বাবে অসম বিখ্যাত। কিন্তু এই শিল্পটোৰ সিমান উন্নতি হোৱা নাই। আনহাতে ই একেবাৰে মৰিও যোৱা নাইকীয়া। মই উদ্যোগ মন্ত্ৰীক অনুৰোধ কৰো যেন তেখেতে অসমৰ প্ৰত্যেক ঘৰে ঘৰে মহিলাৰ হাতত এই শিল্পটো যাতে পুনৰ নতুন উদ্যমেৰে গঢ় দিব পাৰে তাৰ বিহিত ব্যৱস্থা লব। তাৰোপৰি অসমত উৎপন্ন পাট সূতাই বেনাৰস, মহীসূৰ আদিৰ কাপোৰৰ কলক পৰিপূৰক কৰি, অসমীয়া ডিজাইন আদি দি সেইবোৰ ৰাজ্যইহে লাভাংশ পায়। কিন্তু অসমৰ মহিলাই যাতে অসমৰ পাট সূতাৰে কাপোৰ বৈ অসমৰ চমক লগা ফুলৰ দিজাইন আদি দি কাপোৰ বব পাৰে তাৰ ব্যৱস্থা কৰাৰ কাৰণে মই উদ্যোগ বিভাগৰ মন্ত্ৰীক অনুৰোধ জনাইছোঁ। আমাৰ অসমতে উৎপন্ন হোৱা এই পাট সূতাৰে অন্যান্য মানুহে উচ্চমানবিশিষ্ট কাপোৰ বৈ তাৰ লাভাংশ তেওঁলোকেই লৈ যায়। এই লাভাংশটো আজি ২৫ বছৰেই লোকক ভোগ কৰি থাকিবলৈ দিয়া হৈছে। এইটো সচাকৈয়ে বৰ দুখৰ কথা। সেয়ে অসমৰ মুগা-পাটৰ সূতাৰ কাপোৰ বহুল ভাৱে উৎপন্ন কৰিব পৰাকৈ এটা কাপোৰৰ কল অসমত স্থাপন কৰিব লাগে। আমাৰ অসমীয়া মহিলা সকল 'কাজী শিপিনি' বুলি এটা সুনামেই আছে। অসমৰ তিৰোতাই কাপোৰত ইমান সুন্দৰ ফুল বাছিব পাৰে যে জাতিৰ পিতা মহাত্মা গান্ধীয়েও নিজমুখেৰেই এই দৰে উচ্চাসিত বানী প্ৰকাশ কৰিছিল যে "অসমীয়া তিৰোতাই কাপোৰত সৰগ ৰচিব পাৰে"। এনেহেন আত্মনিৰ্ভশীল হবপৰা এটা শিল্পৰ উন্নতি কল্পে চৰকাৰে বৈজ্ঞানিক দৃষ্টি-ভঙ্গীৰে কাম কৰিবলৈ মই বিশেষ ভাৱে চৰকাৰক অনুৰোধ কৰিছোঁ। কিন্তু দুখৰ বিষয় চৰকাৰে এই কুটিৰ শিল্পক অৱহেলা কৰা যেন ভাৱ হয়। ইয়াৰ উদাহৰণ স্বৰূপে মোৰ সমষ্টিতে ছাটি নাল তৈয়াৰ কৰা এটা সৰু ইউনিট আছে। এই সৰু শিল্পানুস্থানটোৰ কৰ্ম্মী সকলে আজি এবছৰেই দৰ্ম্মহা পোৱা নাই। আনহাতে এই অনুষ্ঠানটো ট্ৰেইনিং কাম প্ৰডাকচন্ চেণ্টাৰলৈ উন্নীত কৰিব পাৰিলে গাৰোপাহাৰৰ পৰা অনা ছাটি নালৰ বাহিঁৰে এই উদ্যোগ-টোৰ সম্প্ৰসাৰণ কৰাৰ ব্যৱস্থাৰে ইয়াত বহুত নিবনুৱা ডেকাক কৰ্ম্মসংস্থান দিব পাৰিব। সেয়ে তুদনৈৰ **Umbrella Handle making** কেন্দ্ৰটো **Training Cum production** কেন্দ্ৰত পৰিণত কৰিবলৈ চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো।

আমাৰ জনজাতিৰ মহিলা সকলৰ মাজত অতি ভাল কিছুমান বোৱাকটা কৰাৰ ভাল দিজাইন আদি সোমাই আছে। আৱশ্যকীয় এই দিজাইনবোৰ সহ শিল্পটোক যদি আমি উন্নত প্ৰণালীৰ বৈজ্ঞানিক যন্ত্ৰপাতি দিয়াৰ ব্যৱস্থা কৰিব পাৰো তেনেহলে ভবিষ্যতে ইয়াৰ আৰু সম্প্ৰসাৰণৰ দ্বাৰা ই আমাৰ মহিলাসকলক অকল আত্মনীৰ্ভৰশীলেই নকৰিব, তাৰ দ্বাৰা আমাৰ দেশৰ অৰ্থনৈতিক সমস্যাও বহুখিনি সমাধান কৰাত ই যথেষ্ট সহায় কৰিব। এইখিনিকে কৈ মই কৰ্ত্তন প্ৰস্তাৱটোৰ বিৰোধীতা কৰি মোৰ কথাৰ সামৰণি মাৰিছো।

Mr. Chairman : Now the Minister will have to reply as the time has been fixed earlier. I will call upon the Minister, Industries to reply.

Shri Mahammad Idris (Minister): Mr. Chairman, sir, I am very grateful to the Hon'ble Members who have taken interest in the department of Industries. I would have been more happier if the Hon'ble Members could specify the specific points they wanted to raise through the Cut motion. Sir, as a new Minister, it would be a favour to me if the Hon'ble Members specify their specific points in future when they move the Cut motion in this House. Sir, I take the opportunity to share the views, about the Industries department, with many of my Hon'ble Members. This is a fact that this department needs re-organisation, revitalization and thorough overhauling. Sir, I had an occasion earlier also in this House, when I intervened in the Finance Minister's budget discussion, and to promise that this matter of re-organisation and revitalization of the department is under active consideration of the Government. I again reiterate that stand today and once again I would like to say that various views and suggestion advanced by the Hon'ble Members of this House will surely be taken into consideration at the time of re-organisation and revitalization of this department. Sir, the difficulty

about the industries in Assam is known to all the Hon'ble Members of this House. In fact, if I am to explain those things, then I am afraid my friend Mr. Goswami may take objection because he has stated that we have heard that the industries in Assam are not developing due to the transport bottleneck, difficulties of raw meterials and also due to finance and this has become intolerable to the Hon'ble Member because he said such lame excuses should not be advanced in the case of industrialisation of our State. But then, sir, the real facts are to be taken into account. It is a fact after the partition of our Country, our State has been put into a peculiar condition of transport. Even though after creation of Bangladesh, I am afraid, we will not be able to avail the facilities as in the cases other States and as they are much more advanced in the matter of transport compared to our State. Therefore, sir. this is a perpetual disadvantage for this unfortunate part of the country. Sir, Industry can be divided mainly or broadly into two sectors, such as, small Scale Industries and Medium and Major Scale Industries. Hon'ble Members have taken interest in these two sectors and opinion differed in various ways. Many Hon'ble Members wanted that the stress should be laid on major industries and on the other hand most of the Hon'ble Members laid stress for the development of Small Scale Industries. I share with the anxiety of the Ho'nble Member Mr. Barua about the Tea Industry in our State. This has engaged the attention of our state. I do realise or the Government do realise that future of Assam's economy depends on the Tea Industry. Therefore, although it is a central subject a time has come and we should giye more

attention to this industry. Sir, I have said that so far as the major industries are concerned there are two main difficulties. First of all, the major industries are in a tight corner in bringing the raw materials from distant places as our transport system is not well knit. Secondly, the major industries' produce need a broader market. We in Assam with a limited population and a limited area cannot perhaps give marketing facilities of the entire produce of such large scale industries. Therefore, finished products must find a more populous and sophisticated areas like Uttar Pradesh, Delhi, Calcutta and Bombay and there is again the difficulty of transport. So far as small scale industries are concerned, mostly all the members have said that though a great deal of enthusiasm is there amongst our local indigenous young people, they are greatly handicapped for raw materials and other assistance like finance etc. In that background, most of the hon'ble members found fault with the Department. Sir, whatever skeleton staff or whatever staff this Industries Department has got this should be studied from a proper perspective. Sir, hon'ble member Mr. Dulal Barua very rightly said that during the first Plan and second Plan period this State got no attention in respect of industrial development. Sir, if I read a small para about the history of this Department, I think, I will be able to clear my position: The Industries Department was organised as a Directorate only in the year 1956 when it was looking after only cottage industries and the Major industries were added on to this Directorate only in the year 1958. The basic function of this Department has been to assist entrepreneurs in various ways such as arrangement of land, finance,

technical guidence, raw materials, power, training etc. For this purpose it has taken up various schemes. These schemes are more or less similar to those followed even by the industrially advanced States. For establishing certain specific industries and for helping small scale industries in general the Department had established various Corporation such as the Assam Industrial Development Corporation Ltd., Assam Small Industries Development Corporation Ltd. and the Assam Government Marketing Corporation Ltd. and a lot of discussions have taken place on them.

Now Sir, in this background the scheme of the facilities which this Department wanted to offer to our people I can just give in brief those facilities so far as the small scale industries are concerned and those are like this: the Government decided to purchase some articles from small scale industries. This year we have revised the purchase policy and I can enumerate these items in the list of revised items for Government purchase. We have reserved 28 items altogether and these are like this :

1 Barbed wire

2. Wire netting

3. Hospital beds of steel

4. Water tanks with capacity upto 2,000 gallons each

5. Water buckets

6. Steel trunks

7. Canvas tents, canvas tarpaulins

8. Bamboo and cane furniture

9. Bamboo and cane office stationery articles

10. Soaps

11. Phenyle

12. Chalks
13. Black boards and dusters
14. Handloom and khadi table cloth
15. Handloom and khadi bed covers
16. Hanbloom and khadi curtains
17. Writing ink
18. Sewing of uniforms
19. Pesticides
20. Jerseys, socks, 'pattis, vests and genjis
21. Gamosas (including khadi gamosas), instead of towels for police.
22. Drugs and pharmaceuticals
23. Locally manufactured items of furniture (instead of steel furniture etc. imported from other states).
24. Water filters
25. Surgical cottons, gauze, and absorbant cottons.
26. Paints and varnishes.
27. Bicycles.
28. Galvanised and cinduit pipes.

These are the 28 items which we have reserved for purchase for Government concerns.

Then Sir, subsidy for backward districts. The hon'ble member Mr. Barua was very strongly advocating that the Centre meted out a step-motherly treatment to this State. It is a fact that we are industrially backward and I also do not deny that we are deprived of some share of our legitimate claim. Even then at the instance of the State Government the Central Government has recognised 6 districts of our State as industrially backward. Therefore, they have allowed some concession there and the Central Government

has also accepted 2 districts viz : Goalpara and Mikir Hills as backward to get 10% subsidy for any investment up to Rs. 50 lakhs.

Shri Lakshmi Kanta Saikia : Sir, on a point of information may I know who recommended these districts ?

Shri Md. Idris ( Minister ): The then Government and perhaps on some priciple. Thirdly Sir, about the industrial estates, most of the hon'ble members have said about the bad state of affairs in raspect of these industrial estates and that the sheds are not in good condition. But the intention with which these estates were opened was known to everybody. Facilities are not so meagre for new entreprenuers. They would get a shed, water facilities, power facilities and the like. Even then there is dearth of entrepreneurs in some of the industrial estates as stated by many hon'ble members on the floor of the House. Sir, my friend Shri Narzary has said that at Kokrajhar, industrial estate was opened last year. I will look into it. Perhaps it is facing the same chronic fate. However, if there is latches on the part of the Department, I can assure that it will be remedied soon.

Then Sir, growth centre is another scheme. Under this scheme factory sheds are built on requisition by a small scale industrialist and by the time the industrialist is ready with his machines, raw materials etc. The factory sheds are constructed and completed so that there is no time lag between the completion of factory shed and occupation by industries. Then, by the growth centres we have selected some plots and some area, to improve these areas for construction of sheds if any entrepreneurs want to construct

a shed to start industry there. These are the facilities offered to the small scale industries. Fourthly, the facilities which this department is offering to small industrialists is this. The National Small Industries Corporation, Government of India gives machines to small industrialists on hire purchase on liberal terms. This was started when there was no scheme in the eountry for giving such facilities. However, today such facilities are also available from the nationalised banks and also from the small Industries Development Corporation. Such National small Industries Corporation can now concentrate to a great extent to supply imported machineries. Fifthly, the financial assistance about which many Hon'ble members have given various suggestions. The department grants loans upto Rs. 20,000/- with security and at the district level, it gives loans upto Rs. 2,500/- to the intending entrepreneurs. Of conrse, in distributing these loans by the department, there has been some unusual delay. In fact, my friend, Shri Dulal Chandra Khound has pointed out about one case of some Sarma from Jorhat who applied for this loan for a long time and after that he got it. I can inform him that, that loan was drawn on 30.3 72 by a Bank Draft; the Bank draft was received by us on 15.5.72. He applied for loan on 13.3.69; so the time-lag was 3 years and not 10 years as was pointed by Shri Khound. If he would have been here today, he could have some consolation atleast because atleast within 3 years he cou'd have got the loan. Sir, I can give the whole history of the case but that will take time of the House. There was some latches on his part also.

Shri Dulal Chandra Barua : Sir, I took up a case of a

boy for a loan of Rs. 5000/- only and it took me nearly two years to get this loan.

Shri Muhammad Idris (Minister) : I think, I am not clear to my friend, Shri Barua because I have already said that I agree with the hon'ble members that there was some delay in disbursement of these loans and in that context, I wanted to reply to that. I said so. Therefore I have been very much benefitted today by this debate and by various suggestions offered by many hon'ble members, Sir, about this loan matters, I think, the policy should be changed and it should also be decentralised ; that is my thinking, of course, loud thinking, so to say. As I am often announcing it here, I will surely see that his loan policy is revised and whichever loan is to be offered by this department, could be made obtainable within a very short time. Now about the departmental facilities and loan given by the nationalised banks. Many hon'ble members have expressed apprehansions about this loan from the nationalised banks. I seek the co-operation of all hon'ble members and say that we should take up this matter in right earnest, because an ordinary agriculturist or an young entrepreneur alone approaching this nationalised bank, they may refuse to give the loan. We all the hon'ble members of this August House are in the know of the rules and norms under which this nationalised bank is to advance loans to such entrepreneurs. Now about the loan by the Assam Financial Corporation. About this, hon'ble member, Shri Bhattacherjee said that 'the head is not properly fixed or adjusted'; whatever it was. The loan by the Assam Fnancial Corporaion is also available to the young entrepreneurs. Now the loan by the nationalised banks,

loan by Assam Financial Corporation, loan under Credit Guarantee Scheme of the Government of Assam and another Private Guarantee Fund and Capital loans are given by All India Financial Institutions like IDBI and IFC both of which have offices at Gauhati now. The hon'ble member, Smti. Barkataky has expressed the opinion that the Government should take up with the Financial Institutions of the country so that they may extend credit facilities to the entrepreneurs of our State in liberal terms and easily. I think as their offices are at Gauhati, it would be advantageous point for us. Now I am coming to the facilities of the Traning Course. Sir, this department's training courses were started when there was no such facilities in this State. It dates back to 1951. Afterwards, when ITI and other Schemes in the other departments had come with better training facilities, this schemes under this Industries department have been curtailed. A new scheme was brought out in the beginning of the third plan for implant training scheme. Under this scheme, an employer selects persons in consultation with the District Industries Officers. The department gives stipends of Rs .40/- p.m. if a person is trained inside the State, and Rs. 100/- p.m. if he is trained outside the State. There are two conditions, They are to be local persons and the industrialists must employ him after the training. This scheme is found to be useful. Under this scheme, 3818 persons have been trained from 1961 to 1972. The employment potentiality under the scheme has been much higher than the previous scheme. Most of them are trained for practical jobs and they find it difficult in getting jobs. So, Sir, for this training purpose, the State Grovernment has made

provision very liberally. It is about Rs. 5 lakhs to train persons in different places. If the hon'ble members are interested, I can give a list of trainees whom we have sent for Paper Mills, Sugar Mills and Petro-chemical Complex of our own. There was another point which was raised by some hon'ble members yesterday and this was about trainees who were in Gauhati Refinery. They pointed out that about 18 trainees in Gauhati Refinery are rotting. They are not rotting. As I have said, their prospects are bright ; after finishing the courses, they will be entitled to a scale of pay of Rs 400/- to Rs. 1000/- or something like that.

Shri Dulal Chandra Barua : Will the Minister please verify the matter further ?

Shri Muhammad Idris (Minister) : So far as I have verified, the training course is like this : they have been trained here for few months—six months or something like that. But in the case of Refinery, they are to be taken to Fertilizer Corporation Namrup for practical training for another six months and after successful completion of the training they will be entitled to that scale of pay.

Shri Ataur Rahman : Will any diploma be issued for them ?

Shri Muhammad Idris ( Minister ) : There are facilities for diploma course also. Sir, these are the main facilities which I have enumerated that the department is avancing for the entrepreneurs. Over and above this, there are schemes to give subsidy on power supply, facilities to inventors and grants to non-government training institutions. As normal activity of the department, the District officers have to visit existing units. In this case, every district has got one Assistant Director of Industries who distribute small loan of

Rs. 2500/-and he is supposed to follow up all these schemes. I agree with the Hon. Members that in this case follow-up action was strictly pursued. The reason is obvious. One man covering a district cannot, perhaps look after such a big work apart from his daily routine duties.

My friend, Mr. Goswami from Tezpur read out some figures to show that the production in the industrial sector sometimes in the recent past. I quite follow the figures, but so far as I could understand that was his point. Sir, I could give only a small gist from which it will appear that everything the department did does not deserve only condemnation. There is something for which it should also get appreciation. ( A Voice—What is that ? ) To that I am Coming. What I want to say is that the progress so far made though not very spectacular is not negligible either. The number of small-scale units in our State increased from 212 in 1961 to 1,923 in 1971.

Shri Dulal Chandra Barua : Are you sure, they are registered ? ).

Shri Md. Idris ( Minister ) : They are functioning. If the Hon: Member listen to me to the last, his curiosity will be satisfied. The number of small scale units increased from 212 to 1,923 from 1961 to 1971—by about 900 p. c. in 10 years.

In the large scale sector, the number of units increased from 16 in 1961 to 27 in 1971 excluding the tea gardens. The production in the small scale sector increased from 1.96 crores in 1961 to 13.39 crores in 1971 and in the large scale sector from 16.33 crores in 1961 to 68.51 crores in 1971. In respect of employment, the number of persons

employed in the small-scale sector, the number increased from 3816 persons in 1961 to 9,832 persons in 1971.

Shri Dulal Chandra Barua : on what basis?

Shri Md. Idris ( Minister ): I would say again, Sir, my last sentence will remove your doubt. And from 4787 persons in 1961 to 18,576 persons in 1971 in the large-scale sector. These figures relate, however, only to those industries which have furnished their returns to us. There are industries, from which returns have not yet been received. Therefore the number may go up.

Shri Giashuddin Ahmed : are these Industries already in existance ?

Shri Md. Idris ( Minister ) : I apprehended my Hon. friend has not heard me from the beginning. The industries the figures for which I have given are already in existence. I am stating the position from the figures collected by the Department. There might, however, be mistake which is always possible. But what the figures I have presented before the House is from the figures collected by the Department, and I am only placing it before the House.

Sir, Hon. Member Shri Goswami as well as Mrs Barkataki raised some points about the Ashok Paper Mill.

Shrimati Renuka Devi Barkataki : After whose name the Mill has been named? Is it after the name of Asoke the Great ? ( Lughter )

Shri Md. Idris ( Minister ) : For that I think a separate question will have to be made.

Mrs: Sojee of Paris has been appointed consultant of the Asoke Paper Mills Ltd for giving engineering services, technical services, basic drawings and procurement services. A

team of officers of Bihar Government, Assam Government and the Company went to France to verify whether the firms is capable of giving consultancy services. After discussing with the various authorities, they gave a report that the firms is capable of giving services intended to be given to Asoka Paper Mills Ltd. In fact, consultancy services have already been started and drawing flow sheets etc. are coming along with other services. That is a fact that an officer went to France and the purpose of his visit I have stated.

ডাঃ ববীন গোস্বামী : মোৰ প্ৰশ্ন আছিল এই কোম্পানীটো ১৯৭০ চনৰ আগষ্ট মাহত পেৰিচত খোলা হৈছিল। এই নতুন কোম্পানীটোক এই নতুন দায়িত্ব কিয় দিয়া হল ?

মোৰ দ্বিতীয় কথা হৈছে এই কোম্পানীটো ফ্ৰান্সৰ যি বিলাক কোম্পানীৰ ডিৰেক্টৰী আছে তাৰ তালিকা ভুক্ত নহয়।

Shri Md. Idris ( Minister ): Some hon. Members have also raised a point about the working of the ASCON and Pheros & Company. The Board of Directors of Small Industries Development Corporation have calling offer from various parties decided to implement the project in association with Pheros & Company. The SIDC kept some shares whereas majority shares were taken by the private parties. It gave good profit and also create reserve. In 1968 the SIDC decided to take over the project by buying the share of the private companies, i.e., Pheros & Co., as per report of the Auditors. However, since taking over the Ascon has not been doing well as there is some problem in the management and marketing. However, recently attempts have been made to improve the management and also to ensure market from the State Electricity Board. The Company is also trying to find if better manage-

ment can be brought into the Company to improve the working condition. As the conductors manufactured the 37 strend machine is very difficult to sale, because of limited market in this area and Ascon decided to sell this machine as they have found that without this machine the profitability of the company will increase substantially.

The hon. Member Shri Barua has misunderstood the point. The notification in the Assam Tribune was for the sale of a machine of Ascon.

